# জয়ন্তি—

( আখ্যান আৰু সাধুকথা আদিৰ সমষ্টি

শঙ্কৰ গুৰু শঙ্কৰ গুৰু
তুমি ভকতৰ কল্পতৰু।
শঙ্কৰ পণ্ডিত শঙ্কৰ মাধৱ
তুমি ভকতৰ পৰম বান্ধৱ॥

PUBLIC LIBRARY
371.2

ৰচক আৰু সংগ্ৰাহক—

**শ্ৰীশ্ৰীৰাম চন্দ্ৰ দাস**

সত্ৰ সুন্দৰীদিয়া, বৰপেটা।

জন শিক্ষা বিভাগৰ সহকাৰী চব্ ইনস্পেক্টৰ—বৰপেটা।

প্ৰকাশক—

**শ্ৰীহৰিনাৰায়ণ দত্ত বৰুৱা।**

সাহিত্য-ৰত্ন, নলবাৰী।

দৌল পূৰ্ণিমা ফাগুন, ১৩৫৩। ১৯৪৭ ইং

দাম— ।।৵ আনা

# অৰ্পণ

দেশত শিক্ষা আৰু শিক্ষকৰ সমাদৰ বাঢ়ক,

জ্ঞানৰ বিমল পোহৰ পৰক,—

এই ভাৱত শ্ৰদ্ধেয় সু-শিক্ষক

বন্ধু শ্ৰীযুত অৰ্জ্জুন চন্দ্ৰ দাস দেৱৰ

হাতত মোৰ অতি মৰমৰ

“জয়ন্তিক” দিয়া হল।

শ্ৰীশ্ৰীৰাম চন্দ্ৰ দাস

কেম্পা—আঠগুৰি

১।১২।৪৫

# কাতৰি--

এই সৰু কিতাপখনৰ বিষয়ে মোৰ সৰহ কথা কবলৈ নাই। “অতুল কথামালাৰ” পঞ্চম কিতাপ “মোৰ দেশৰ সাধুকথাৰ” “সংগ্ৰাহকৰ কথাৰ” ভিতৰত এই বিষয়ে মোৰ মনৰ ভাব প্ৰকাশ কৰিছোঁ।

মোৰ শ্ৰদ্ধাস্পদ শিক্ষাগুৰু শ্ৰীযুত চন্দ্ৰনাৰায়ণ দত্ত বৰুৱা সাহিত্য-ৰত্ন মহোদয়ে এই কিতাপৰ প্ৰকাশৰ ভাৰ গ্ৰহণ কৰা বাবে তেখেতৰ ওচৰত মই কৃতজ্ঞ। নৰ্ম্মাল স্কুলত পঢ়া কালেৰে পৰা তেখেতে এই নিঃকিনক সদায় বিদৰে দিহা ভৰসা আৰু উৎসাহ উপদেশ দি আহিছে সেই সকলো কথা বহলাই লিখিলে এখন কিতাপ হব। নুঠতে কওঁ, তেখেতৰ কৰ্ম্মময় জীৱনৰ কথা মনত পৰিলে বৰ আনন্দ হয়।

ইয়াৰ বেচি ভাগ সাধুকথাকেই লোকৰ মুখৰ পৰা শুনি সংগ্ৰহ কৰা। দুই এটা সাধু আন কিতাপৰ সহায়তো লিখা হৈছে।

আমাৰ গাওঁবিলাকত আগেয়ে পুৰণি পুথিৰ চৰ্চ্চা খুব বেচি ৰকমে আছিল। তাৰ ফলত কিছুমান নিৰক্ষৰ মানুহেও কীৰ্ত্তণ, ঘোষা, গুণমালা শুকু চৰিত আৰু ৰত্নাৱলী আদি পুথি অনৰ্গল গাই যাব পাৰিছিল। মোৰ আতা পৰমভক্ত ৺মেনা ৰাম পাঠক এই বিষয়ে অগ্ৰগন্য আছিল। এনে সু-পুৰুষ আমি নিজেও দুই চাৰি লগ পাইছোঁ। এনে লোকৰ বিয়োগত সমাজৰ পূৰণীয় ক্ষতি হয়। সমাজত পুনৰ পুৰণি পুথিৰ চৰ্চ্চা আৰু সমাদৰ বাবক এনে আশাতহে এই পুথিৰ প্ৰথম আধ্যাটো দিয়া হল।

আমাৰ দেশৰ স্কুল বিলাকত আবৃত্তি কৰা আৰু সাধু-কথা কোৱাৰ নিয়ম আছে। এই সময়ৰ ভিতৰত বিদ্যোৎসাহী শিক্ষক বন্ধু সকলে

---

শ্ৰীযুত হাজৰিকা দেৱৰ ৰচিত সু-পাঠ্য “কথা-কিৰ্ত্তনৰ” “থাপনা” পাঠনীয়।

ছাত্র-ছাত্ৰী সকলৰ হতুৱাইও সংগ্ৰহ বিষয়ক নানা সজ কাম কৰি ল
পাৰে। কিন্তু আমাৰ মাতৃ-ভাষাত এখন শিশু আলোচনীও স্থায়ী ভা
চলি নথকাত শিশু-সাহিত্যই গা কৰি উঠিব পৰা নাই। এটা প্ৰাচীন জীৱ
জাতিৰ পক্ষে ই বেজাৰৰ কথা। এই বিষয়ে দেশৰ জ্ঞানী লোক সক
ভাবি চায় যেন।

প্ৰত্যেক মহকুমাতেই যিবিলাক শিক্ষক কেন্দ্ৰীয় সভা আছে, ত
সকলো শিক্ষকেই সমবেত হৈ সংগ্ৰহ-সাহিত্য আৰু শিক্ষা বিষয়ক ন
ভাৱৰ প্ৰবন্ধ লিখি আলোচনা বা কিতাপৰ আকাৰত প্ৰকাশ কৰি
পাৰে। "আমাৰ শিক্ষক মহোদয়ে ভাল গীত ৰচনা কৰে, ভাল বৰ
গায় আৰু বছা বছা প্ৰবন্ধ লিখে"— ছাত্ৰ সকলৰ মুখে মুখে যেঁ
এনেবোৰ কথা হব, তেতিয়া বুজিব লাগিব যে, আমাৰ দেশ বহুত
বাঢ়ি গৈছে।

এই সংগ্ৰহত গোলাঘাটৰ ৺চন্দ্ৰ বল্লভ গোস্বামী ড্ৰইং ম
শ্ৰীযুত দীনেশ্বৰ দত্ত শিক্ষক, চাবুক ধৰা মৈশ বিদ্যালয়ৰ শিক্ষক
ইন্দ্ৰেশ্বৰ শৰ্ম্মা পূজাৰী, শ্ৰীমান ভুবন চন্দ্ৰ কলিতা, বাকিজুৰ ৰহমান, সু
দিয়া সত্ৰৰ শ্ৰীমান দামোদৰ চৌধুৰী, শ্ৰীমান সৰ্ব্বা নন্দ দাস,
চতুৰ চন্দ্ৰ দাস মিস্ত্ৰি আৰু শ্ৰীমান অনন্ত চন্দ্ৰ দাসৰ পৰা সহায় পা
পাঠক পাঠিকা সকলে গীত পদ আদিৰ সোৱাদ পাবৰ আশাত বি
পিচ ফালে "পৰিশিষ্ট" এটা দিয়া হল।

কিতাপৰ ভাষা কেনে হল কব নোৱাৰোঁ; কাৰণ মই ভা
নহওঁ— শিশু-মনো বিজ্ঞানো নাজানোঁ। জ্ঞানী লোক সকলে
দোষবোৰ দেখুৱাই দিলে আগ্ৰহেৰে গ্ৰহণ কৰা হব। ইতি—

সত্ৰ সুন্দৰীদিয়া। বিনীত

৪।৭।৪৬ শ্ৰীশ্ৰীৰাম চন্দ্ৰ দাস

উপহাৰ

ৰ চিন স্বৰূপে

“জয়তিক”

উপহাৰ দিলোঁ।

তাৰিখ—

# বিষয়-সূচী


| বিষয়— | পৃষ্ঠা |
| --- | --- |
| ১। পিতৃৰ উপদেশ ... .. | ১ |
| ২। ৰাম-নাম | ৪ |
| ৩। লক্ষ্মণ-বৰ্জ্জন | ৭ |
| ৪। "আকৌ নিগনি হোব" | ১৩ |
| ৫। বসুদেবৰ উপস্থিত বুদ্ধি | ১৫ |
| ৬ মহাৰাজ যুধিষ্ঠিৰৰ শিক্ষা | ১৮ |
| ৭। ভীষ্মদেৱৰ চকু-লো | ২০ |
| ৮। মিত্ৰৰ উপকাৰ | ২২ |
| ৯। "সহদেউ, কি কহু কহু!" | ২৪ |
| ১০। সাধু-সঙ্গৰ মাহাত্মা | ২৫ |
| ১১। পাহাৰৰ ওপৰৰ পঁজা | ২৯ |
| ১২। নাহিকে দোষণ | ৩১ |
| ১৩। কৰ্ণ পুৰাণ | ৩৩ |
| ১৪। নিংনি ভাউৰাৰ কথা | ৩৫ |
| ১৫। আজিৰ কাম আজি | ৩৯ |
| ১৬। ধনলোভী বুঢ়া আৰু সোণৰ কোমোৰা | ৪০ |
| ১৭। সাঁথৰৰ সাধু | ৪৩ |
| ১৮। কেকোৰা ও কেচুৰ গল্প | ৪৬ |
| ১৯। বুঢ়ীৰ প্ৰশ্ন | ৪৭ |
| ২০। নিজৰ মৰণ চিন্তা | ৫১ |
| ২১। ইয়াতকৈ সি চৰা | ৫৪ |
| ২২। ভাগ্য | ৫৬ |
| ২৩। সন্ধিৰ ভোজ | ৫৯ |
| ২৪ পৰিশিষ্ট | ৬৩ |
| ২৫। স্তুতি নাম | ৬৫ |
| ২৬। অভিজ্ঞান গীত | ৬৬ |
| ২৭। সদিয়াৰ সাঁথৰ | ৬৭ |
| ২৮। টোকা | ৬৮ |

# জয়ন্তি

## প্ৰথম অধ্যায়

## পিতৃৰ উপদেশ।

"কুসুমবৰ কুসুমবৰ, তোমাৰ পুত্ৰ যদুমণি শ্ৰীমন্ত শঙ্কৰ"।

জগৎ গুৰু শ্ৰীমন্ত শঙ্কৰদেৱৰ পিতৃ কুসুমবৰ ভূঞা, মাক সত্যসন্ধা দেৱী তেওঁৰ অৱতাৰ-ভূমি নগাওঁ জিলাৰ বৰদোৱা সত্ৰৰ ওচৰৰ আলিপুখুৰী সত্ৰ।

শঙ্কৰদেৱ সৰুতে চঞ্চল, খেলাপ্ৰিয় আৰু বলৱন্ত আছিল। তেওঁৰ চেহেৰা বৰ সুন্দৰ আছিল। দহ-বাৰ বছৰমান বয়সলৈকে তেওঁ পঢ়িবলৈ মন কৰা নাছিল। শিশুৰ সৰল আৰু শুদ্ধ মন,—সদাই ৰং-ধেমালি কৰি ফুৰিহে ভাল পায়। তাকে দেখি এদিন পিতাকে বেজাৰ কৰি কলে—

আমাৰ উপৰি বংশ যতেক আছিলা।
সবেও পণ্ডিত বাদে পণ্ডিত জিনিলা ॥৩৬

পিতাকৰ মুখত এনে বেজাৰৰ কথা শুনি শিশু শঙ্কৰৰ হিয়া গলি গল। তেৱেঁা পিতাকক কলে—

শুনা পিতৃ তুমি মন কষ্ট নকৰিয়ো।
পঢ়িবোঁহো শাস্ত্র মোক ছাত্র শালে থৈয়ো ॥৩৮
পাৰোঁ কি নপাৰোঁ শাস্ত্র পঢ়িবাক আমি।
ইহাৰ প্রমাণ-পিতৃ পাইবা পাচে তুমি ॥

নিজৰ আত্মজৰ মুখত এনে উৎসাহ-উদ্যমৰ বাণী শুনি কুসুমবৰে আকৌ বুজনি দিলে—

আন ধন ধান্যৰ ভাণ্ডয়ে বণ্টালয়।
বিদ্যা ৰত্ন মহাধন নিবে নপাৰয় ॥
দানে ক্ষয় নাযায় চোৰে নাপাৰে নিবাক।
স্বদেশতে পূজে মাত্র মহন্ত ৰাজাক ॥ ৪১
বিদ্যাৱন্ত পুৰুষক পূজে সৰ্ব্ব ঠাই।
বিদ্যাসে ভূষণ বাপ অধিকে শুহাই ॥
বিদ্যাহীন পুৰুষৰ নিস্ফল জীৱন।
বিদ্যা শূন্য নাই যাৰ মিত্র বন্ধু জন ॥ ৪২
হেন জানি বাপু পঢ়িবাক যত্ন কৰ।
বিদ্যাসে ভূষণ বাপ আমাৰ বংশৰ ॥

পিচত কুসুমবৰে শঙ্কৰদেৱক মহেন্দ্র কন্দলিৰ পঢ়াশালিত নাম লগাই দিলে সেই যুগৰ পঢ়াশালি সমূহ আশ্রমৰ দৰে আছিল। তাত

ছাত্রশাল — পাঠশালা, পঢ়াশালি। ধান্য — ধান।
বণ্টালয় — ভগাইলয়। শুহাই—শোভা কৰে।

ছাত্ৰক আৱশ্যকীয় সকলো শিক্ষাকেই দিয়া হৈছিল। পিতৃৰ এই উপদেশকেই শঙ্কৰ দেৱে জীৱনৰ সাৰথি আৰু আশীৰ্ব্বাদ বুলি মানি লৈ সদাই চলিছিল। শিশু-কালেই শিক্ষাৰ আদি ভেটি, এই কথা ভালকৈ বুজি লৈহে কুসুমবৰ আৰু বুঢ়ী মাক খেৰসূতী আয়ে শঙ্কৰদেৱক নিতৌ নতুন কথা শিক্ষা দিছিল। কুসুমবৰ ভূঞা এজন আদৰ্শ অভিভাৱক আছিল। সেই গুণেহে শঙ্কৰ দেৱে প্ৰাতঃ স্মৰণীয় মহাপুৰুষ হৈ মানুহৰ মুকুতি-নিদান পবিত্ৰ নাম-ধৰ্ম্ম প্ৰচাৰ কৰিব পাৰিছিল।

শিশুৰ মুখত—"ইহাৰ প্ৰমাণ পিতৃ পাইবা পাচে তুমি।"
আৰু পিতৃৰ মুখত—"বিদ্যাসে ভূষণ বাপ আমাৰ বংশৰ॥" —
বচন অতি মূল্যবান। আমাৰ দেশৰ সকলো শিশু আৰু পিতৃ মাতৃয়েই এনে বচনৰ অধিকাৰী হক, এয়ে আশা। ইতি—

গোলাঘাট
১৯।৯।৩৯ ইং

---

* এই উপদেশ খেৰসূতী আইয়েও দিয়া বুলি চৰিত পুথিত আছে।

# ৰাম-নাম

বিশ্বাসেই আদি মূল, বিশ্বাস নহলে যায় জাতি কুল। ম
একান্ত বিশ্বাস হলে সাপৰো বিষ, জুইৰো তাপ নাইকিয়া হব প
ই সাধন-মাৰ্গৰ কথা। এই বিষয়ে চমু আখ্যান এটি আছে।

(১)

ৰামায়ণ শাস্ত্ৰখন বাল্মীকি মুনিয়ে ৰচনা কৰে। তে
আগৰ নাম ৰত্নাকৰ। ৰাম-নামৰ মহিমাৰ ফলতেই তেওঁ মহ
বাল্মিকি হয়গৈ। তেৱেঁই জগতৰ আদি কবি।

ৰামায়ণত ৰাম-ৰাৱণৰ যুদ্ধৰ কথা বৰ্ণোৱা আছে। —
"গৈছে ৰাম, কি এহো অযোধ্যা নগৰী শূন্য কৰি, শূন্য ঘৰে পা
সীতা ৰাৱণে হৰিলা ও সন্ন্যাসীৰে বেশ ধৰি।"

ৰাৱণ লংকাৰ ৰজা; লংকাৰ চাৰিও ফালে সাগৰ। ৰাৱণ
দহোটা মুৰ, কুৰিখন হাত। তেওঁৰ দশানন আৰু লংকেশ্বৰ আ
নাম। দশানন পণ্ডিত আৰু প্ৰতাপী; অথচ অহংকাৰী আছি
তেওঁৰ অতি গৰ্বই ৰাক্ষক-কুল নিৰ্মূলৰ কাৰণ। *

"ৰাম-নাম-যম-সমৰক সাজি সমদলে কয়লি পয়ানা।"

---

* অসম জন-শিক্ষা অভিযানৰ প্ৰকাশিত "গল্পকথা" প্ৰথম খণ্ড পঢ়া।

(২)

ৰাৱণৰ ভায়েকৰ নাম বিভীষণ। বিভীষণ শান্ত বিবেচক আৰু ৰামৰ পৰম ভক্ত। ৰাম-নামেই তেওঁৰ ধ্যান-জ্ঞান আৰু গলৰ মাদুলী যেন আছিল।

এদিন এজন মানুহে বিভীষণৰ ওচৰলৈ গৈ কলে——

"আপুনি ৰামৰ ভক্ত; মই আজি হঠাৎ সাগৰৰ সিপাৰলৈ যাব লগীয়া হল। যাবলৈ আন একো যান-বাহন নাই; আপুনি অনুগ্ৰহ কৰি মোক এটা উপায় কৰি দিয়ক। নহলে মই নিগমে মৰিলোঁ।"

বিভীষণঃ— "বাৰু, তুমি একো চিন্তা নকৰিবা। প্ৰভু ৰামৰ কৃপাত তুমি যাব পাৰিবা। তেওঁৰ সু-দৃষ্টি হলে অসাধ্য কামো হব পাৰে।"

এইদৰে কৈ তেওঁ এটা তুলসী-পাতত ৰাম-নাম লিখি দি মানুহজনৰ কাপোৰৰ আচলত তাকে বান্ধি দি কলে "তোমাক সাগৰ পাৰ হব পৰা মহৌষধ দিয়া হল। তুমি ইয়াৰেই পাৰ হৈ যাব পাৰিবা, আন একো যান-বাহনৰ দৰ্কাৰ নহব। মাথোঁ বাটত ইয়াক খুলি নাচাবা। সাগৰ পাৰ হৈ গৈ সিপাৰে ইচ্ছা কৰিলে চাব পাৰিবা। বাটত কোনো মতেই নাচাবা।"

বিভীষণে দিহা কৰি দিয়া মতে মানুহ জনে সাগৰৰ পানীৰ ওপৰে ওপৰে খোজ কাঢ়ি যাবলৈ ধৰিলে। বাটত তেওঁৰ মনত

ভাৱ হল— "কাপোৰৰ আচলত বিভীষণে কি বান্ধি দিছে ! তাৰ ভিতৰত দেখো একো গধুৰ বস্তু নাই।

কাপোৰৰ আচলত নো কি আছে, তাকে চাবলৈ মানুহ জনৰ বৰ হেপাহ হল। সাগৰৰ পাৰ পাবলৈ মাত্ৰ অলপ বাটহে আছে, এনেতে তেওঁ গাঁথিটো খুলি চালে। তাত দেখিলে যে কেৱল তুলসী-পাতত ৰাম-নামহে লিখা আছে; তাত বাহিৰে তেওঁৰ মতে আৰু আন কোনো মূল্যবান বস্তু নাই।

গাঁথিটো খোলা মাত্ৰকেই মানুহজন সাগৰৰ পানীত বুৰ গল। সি শেষত সাগৰৰ জলচৰ প্ৰাণীৰহে আহাৰ হৈ পৰিল। ইতি—

বেঙেনা খোৱা, গোলাঘাট

১৭।৯।৩৯

# লক্ষ্মণ বৰ্জন।

এদিন কালপুৰুষে এক কুক্ষণ চাই অযোধ্যাত উপস্থিত হলহি। তেতিয়া ৰাম চন্দ্ৰই মন্ত্ৰী সকলৰ লগত ৰাজ-সভাত কিবা গুৰুতৰ বিষয়ে আলোচনা কৰি আছিল। সেই সময়ত লক্ষ্মণ দুৱৰী হৈ আছিল। কালপুৰুষে লক্ষ্মণক দুৱাৰত দেখি কলে— "হে অনুজ লক্ষ্মণ, তোমাৰ জ্যেষ্ঠ ৰামৰ লগত মোৰ কিছুমান গভীৰ ভাবৰ কথা আলোচনা কৰিবলগীয়া আছে। তুমি তেওঁক মোৰ বাতৰি দিয়াগৈ।"

লক্ষ্মণে ৰাজ-সভাৰ মাজলৈ গৈ ৰামক প্ৰণাম কৰি কলে— "প্ৰভু, বাহিৰত ব্ৰহ্মাৰ দূত আহি তোমাক সাক্ষাৎ কৰিবৰ কাৰণে ৰৈ আছে। তোমাৰ আজ্ঞা হলে তেখেতক ইয়ালৈ মাতি আনিব পাৰোঁ।" ৰামে বিনয় বচনেৰে কলে— "ঠাকুৰ লক্ষ্মণ, মই আদেশ দিছোঁ, কোন আহিছে শীঘ্ৰে ইয়ালৈ লৈ আহা।"

লক্ষ্মণে স-সন্মানে কালপুৰুষক ৰামৰ ওচৰ পোৱালে গৈ ৰামে কালপুৰুষক পাদ্য-অৰ্ঘ্য আদিৰে সেৱা কৰি আলহী সোধ-পোচ কৰিলে। ৰামৰ ভক্তি-সদাচাৰত কালপুৰুষ পৰম সন্তোষিত হ'ল। তেতিয়া ৰামে কালপুৰুষক কলে—"হে মুনিবৰ, আপোনাৰ ইয়ালৈ অহাৰ প্ৰয়োজন কি? সৰল ভাবে কওঁক।" কালপুৰুষে ক'লে— "মই ব্ৰহ্মাৰ দূত, তেওঁহে মোক ইয়ালৈ পঠাইছে। তোমাৰ লগত মোৰ কিছু ভিতৰুৱা কথা আছে; সেই কথা মই তোমাক আতি

গোপনীয় ভাবেহে কব পাৰিম। আন কোনেও সেই কথা শুনিব নাপায়। আকৌ আমি কথা পাতি থকা সময়ত যদি কোনো মানুহ আমাৰ ওচৰলৈ আহে, তেন্তে তুমি তাক চিৰ দিনলৈ বৰ্জন কৰিব লাগিব। ই স্বয়ং ব্ৰহ্মাৰ আদেশ। যদি অদেশ পালন কৰা তেন্তে দুৱাৰত এজন বিশ্বাসী ৰখীয়া ৰাখা; তাৰ পিচতহে আমি নিৰলে কথা পাতিম।”

তেতিয়া ৰামে লক্ষ্মণক কলে — “প্ৰাণৰ ভাই লক্ষ্মণ, শুনা মই দূতৰ আগত সত্য কৰি কলোঁ, আমি কথাহে থকাৰ সময়ত যি দুৱাৰৰ ভিতৰত প্ৰবেশ কৰিব, তেওঁক মই চিৰ দিনলৈ বৰ্জন কৰিম। পশ্চিম ফালে বেলি উদয় হলেও মোৰ এই প্ৰতিজ্ঞা নলৰে।”

লক্ষ্মণক দুৱৰী কৰি থৈ ৰাম আৰু কালপুৰুষে নানা বিষয়ে আলোচনা কৰিবলৈ ধৰিলে। এই বিষয়ে ৰামায়ণত বহল ভাবে লিখা আছে।

কালপুৰুষে কলে— “হে নৰ-ৰূপী নাৰায়ণ, তুমি বৈকুণ্ঠ ধাম শূন্য কৰি আৰু কিমান দিন মৰ্ত্যলোকত থাকিবা? তোমাৰ আৰু পৃথিৱীত থাকিবৰ সময় নাই। তুমি দুষ্টক দমন কৰি সন্তক পালন কৰিলা। আই বসুমতী এতিয়া তোমাৰ যত্নতেই শান্তিময়ী হৈ পৰিছে। যম দূতেহে মানুহ নিবলৈ আহে; ব্ৰহ্মাৰ আদেশ পালন কৰি মই নিজেই তোমাক নিবলৈ আহিছোঁ। তুমি ধৰা-ধাম এৰি যাবানে নোযোৱা সোনকালে উত্তৰ দিয়া।”

ৰামে কলে— "হে কালদেৱ, মই সংসাৰৰ মায়া-মোহ পৰিত্যাগ কৰি গোলোকধামলৈ যাম হয়, কিন্তু দৈৱৰ লিখন কেতিয়াও খণ্ডন নাযায়। চাবা, ব্ৰহ্মাৰ মায়াত এতিয়াই দুৰ্ব্বাসা মুনিৰ আগমন হব।"

দুৱাৰত ধানুকী লক্ষ্মণ। সেই সময়তে দুৰ্ব্বাসা মুনিয়ে লক্ষ্মণৰ আগত উপস্থিত হৈ কলে— "হে লক্ষ্মণ, মই ৰামৰ লগত কথা হবলৈ আহিছোঁ। মোক তেওঁৰ ওচৰলৈ যাবলৈ বাট দিয়া। পলম নকৰিবা, কথা বেয়া হব।"

লক্ষ্মণে কলে— "হে মহাভাগ, দাসক অলপ কৃপা কৰক, খং পৰিত্যাগ কৰক। তেওঁ এতিয়া ব্ৰহ্মাৰ দূতৰ লগত গোপনীয় কথা পাতি আছে। এই সময়ত তালৈ যোৱা নিষেধ। আপোনাৰ কি কি অসুবিধা হৈছে কৃপা কৰি মোৰ আগত কওঁক, মই তাৰ যথোচিত প্ৰতিকাৰ কৰিম।"

লক্ষ্মণৰ কথা শুনি দুৰ্ব্বাসা মুনিয়ে মেঘৰ দৰে গৰ্জি কৰলৈ ধৰিলে—"মোৰ আগত তুমি চতুৰালি নকৰিবা। মোৰ কথা শুনা-নিলে এতিয়াই মই শাপ দি অযোধ্যা নগৰী ভস্মীভূত কৰিম, দশৰথ ৰজাৰবংশ নিৰ্মূল কৰিম, আৰু তুমিও তিলেকতে ছাইহৈ উৰি যাবা। তুমি কাৰ আগত এইদৰে কথা কৈছা; এবাৰ দকৈ ভাবি চোৱা।"

দুৰ্ব্বাসাৰ খংদেখি লক্ষ্মণৰ বৰ ভয় হ'ল। তেওঁ দোধোৰমোৰ অৱস্থাত পৰিল। এনে অৱস্থাত পৰিলে প্ৰকৃত বাট বিচাৰিপোৱা টান। লক্ষ্মণে ভাবিলে—"মোৰ আৰু পৃথিৱীত চাউল নাই। ৰামে জানি-বুজিও আজি মোক বৰ্জন কৰিবই লাগিব। সেয়েই বোধ

হয় বিধাতা পুৰুষৰো ইচ্ছা। বৰ্জন আৰু মৰণ প্ৰায় একে কথা মোক বৰ্জন কৰিলে অকল মই হে মৰিম; আনৰ একো ক্ষতি নহব। তেনে স্থলত মই মৰণক ভয় কৰি মোৰ পৱিত্ৰ পিতৃবংশ নাশ কৰিম কিয় ? তেনে কৰিবৰ মোৰ কি স্বত্ব আছে।"

সুমন্ত্ৰই আগতে তপোবনত কোৱা সকলো কথাই লক্ষ্মণৰ মনত পৰিল। ৰামে কালপুৰুষৰ লগত কথাহৈ থকা অৱস্থাতেই লক্ষ্মণে দুৰ্বাসাক লগত লৈ তাত উপস্থিত হলগৈ। লক্ষ্মণ তাত উপস্থিত হোৱাত ৰামৰ অন্তৰ দহি গল। ৰামে কালপুৰুষক বিদায় দি দুৰ্বাসাক যথা নিয়মে সেৱা-শুশ্ৰূষা কৰিলে। তাৰ পিচত সুধিলে—"হে তপোধন,এতিয়া ইয়ালৈ অহাৰ কাৰণ কি কব লাগে।" দুৰ্বাসাই কলে—"মই আজি এবছৰ কাল অনাহাৰে আছোঁ; মোক খাবলৈ অমৃত দিয়া।"

মুনিৰ কথামতে ৰামে অমৃত আনি দিলে; মুনিয়ে হেপাহ পলুৱাই অমৃত পান কৰি পৰম সন্তোষিত হৈ গুচি গল। যাবৰ সময়ত মুনিয়ে কৈ গল—"ধন্য ৰাম, তুমি সৰ্বগুণাকৰ।"

এতিয়া ৰামৰ মনত মহা চিন্তা হল। তেওঁ ভাবিলে—'মুনিদ্বয়ে মোক মহা বিপদত পেলাই দিলে। মই এতিয়া কিসতে প্ৰাণৰ ভাই লক্ষ্মণক বৰ্জন কৰোঁ। যদিহে সত্য লঙ্ঘন কৰোঁ, তেন্তে মোৰ এই জীৱন ব্যৰ্থ হয়; আৰু সত্য পালন কৰিলেও মোৰ প্ৰাণৰ সাগৰ ভাই লক্ষ্মণক বৰ্জন কৰিব লাগিব। কি কৰোঁ! মই এতিয়া কোন বাটে যাওঁ।"

বামে চিন্তা-ভাৱনাত জর্জৰিত হৈ বশিষ্ঠ-নাৰদ আদি মুনি সকলক মাতি আনি তেওঁলোকৰ পৰামৰ্শ ললে। তেওঁ মুনি সকলৰ প্ৰতি সম্বোধন কৰি কলে।—"মই বৰ্ত্তমানে কি বিপদত পৰিছোঁ, আপোনালোকে ভাল দৰে বুজি পাইছে। জনক-জীয়াৰী সীতা, ৰাজ্য ধন, আৰু মোৰ জীৱনতকৈ লক্ষ্মণ মোৰ প্ৰিয়তম। সকলোকে মই তেজিব পাৰিম, কিন্তু লক্ষ্মণ অবিহনে মই এক মুহূৰ্ত্তও জীয়াই থাকিব নোৱাৰিম। মই এতিয়া কি কৰা উচিত হয়, মোক আপোনালোকে উপায় দিয়ক।"

মুনি সকলে শোকাতুৰ ৰামক বুজাব ধৰিলে—"হে ৰামচন্দ্ৰ, তুমি সত্য ব্ৰত; যদিহে তোমাৰ এই সত্য পালন কৰা তেন্তে লক্ষ্মণক বৰ্জন কৰা; অক সত্য লঙ্ঘন কৰিব লাগিলে তোমাৰ জীৱন বিফল হব। তোমাৰ পিতৃদেৱে সত্য পালি তুমি হেন জ্যেষ্ঠ পুত্ৰক বৰ্জন কৰি স্বৰ্গ লাভ কৰিলে। তুমিও পিতৃ সত্য পালন কৰি বনবাসী হলা। এতিয়াও তুমি সত্য পালন কৰি কীৰ্ত্তিমন্ত হোৱা।"

তেতিয়া লক্ষ্মণে সেৱা জনাই কলে—"দাদা, তুমি মোক বৰ্জন কৰি সত্য ৰক্ষা কৰা। তুমি সত্য লঙ্ঘন কৰিলে জগতত তোমাৰ কলঙ্ক বৈ যাব।"

ইয়াৰ পিচত দুয়ো কোলা-কুলি কৰি কান্দিবলৈ ধৰিলে। অযোধ্যাৰ সকলো মানুহৰে মুখে মুখে লক্ষ্মণ-বৰ্জনৰ কথা প্ৰচাৰ হৈ পৰিল। লক্ষ্মণে বশিষ্ঠ নাৰদ আদি মুনিক সেৱা জনাই, ৰামক প্ৰদক্ষিণ কৰি গাৰ পৰা ৰাজ-আভৰণ খুলি পেলালে। প্ৰজাবিলাকে নানাভাৱে কান্দিবলৈ ধৰিলে। লক্ষ্মণে ৰামক আকৌ সেৱা জনাই

কলে—"দাদা, জন্মে জন্মে যেন এই দাসৰ তোমাত হে ভক্তি থাকে, এয়ে মোৰ প্ৰাৰ্থনা।"

পাত্ৰ-মিত্ৰ সকলক লগতলৈ বীৰ লক্ষ্মণে বং মনেৰে সৰযূ নৈৰ ফালে মেলানি মাগিলে। তেওঁ ৰামক শেষ-সেৱা জনাই সৰযূ নৈৰ পানীত নামি গল। সৰযূৰ পৱিত্ৰ সলিলত লক্ষ্মণ মিলিগল (১)

লক্ষ্মণ বৰ্জন কৰি আহি ৰামে গোটেই পৃথিবী অসাৰ অসাৰ যেন দেখাহল। তেওঁৰ চকুৰ পৰা পানী মুগুচা হল। খোৱা-লোৱা ৰাজ-কাৰ্য্য আৰু আলাপ আদিত সমূলি মন নবহা হল। লক্ষ্মণৰ শোকতেই তেওঁ স্বৰ্গগামী হল।

কৰিলাহা ৰাজ্য দশ হাজাৰ বৎসৰ।
লগে স্বৰ্গে নিলা সবে অযোধ্যা নগৰ ॥১১ (কীৰ্ত্তন)

ৰামৰ বিলাপ :— অ' ভয়াই অ' হৰিহে, মোৰ নিদাৰুণ হিয়া,
অ' সৰযূতে লীন গৈলি বুকে জুই দিয়া—ভৈয়াই লক্ষ্মণ অ' ॥

(প্ৰভাত—১৮৬৭ শক, সমস্ত সংখ্যা ৮০)
৺সভা বালা দাস।

---

(১) এই প্ৰবন্ধৰ লেখিকাই তেওঁৰ পুত্ৰ শ্ৰীমান ৰাপধনক এৰি অকালতে ২৩-১২-৪২ তাৰিখে মৃত্যুৰ মুখত পৰে।

# "আকৌ নিগনি হোৱা"

বৈকুণ্ঠপুৰীত বৈকুণ্ঠনাথ শ্ৰীকৃষ্ণই তেওঁৰ প্ৰিয়তমা ভাৰ্য্যা ৰুক্মিণীৰ লগত সুখ-দুখ, জৰা-মৃত্যু আদিৰ বিষয়ে কথা পাতি আছে। দেৱ-অসুৰ, নৰ-মানুহ আৰু যক্ষ-ৰক্ষ আদিৰ বিষয়েও দুয়োৰে ভিতৰত নানা কথা ওলায়। সিদিনাও তেনে এটা বিষয় লৈয়েই দুয়ো আলোচনা কৰিলে।

ৰুক্মিণী— নাথ, পৃথিবীৰ প্ৰাণী সকলে কিমান ডাঙৰ হবলৈ আশা কৰে? সিহঁতৰ আশয় কিমান?

কৃষ্ণ- আন কথাকে নকওঁ! সিহঁতে বৈকুণ্ঠৰো অধিপতি হবলৈ মন কৰে। ইমানেই সিহঁতৰ আশয়।

এই দৰে দুয়ো আলোচনা কৰাৰ পাচত কথাটো পৰীক্ষা কৰি চাবৰ মনেৰে এটা নিগনিৰ ওচৰলৈ দুয়ো বেশছন কৰি গল।

কৃষ্ণই নিগনিটোক সুধিলে— "তই ইয়াত কেনে আছ?"

নিগনি— "মই ইয়াত খুব ভালেই আছোঁ; কিন্তু মাজে সময়ে এটা মেকুৰী আহি দিগদাৰী দিয়ে। তাৰ কাৰণেহে মোৰ কিছু অশান্তি হৈছে।"

নিগনিৰ কথা শুনি কৃষ্ণই কলে:— "তই আজিৰপৰা ইয়াত মেকুৰী হৈ সুখেৰে থাক" ভগৱন্তৰ কথা মতে সেয়েই হল।

কিছুদিনৰ পাচত কৃষ্ণই আকৌ ৰুক্মিণীৰ লগত তালৈ গৈ মেকুৰীক সুধিলে—"তই এতিয়া কেনে আছ?"

মেকুৰী — " মই এতিয়া ঠিকেই আছোঁ । কিন্তু মাজে সময়ে কুকুৰ এটাই মোক কামুৰীবলৈ খেদি আহে। তাৰপৰাহে মই ভয় পাওঁ।"

কৃষ্ণই মেকুৰীক কুকুৰ হবলৈ "তথাস্তু" বুলি কৈ গুচি আহিল। আকৌ কিছুদিনৰ পাচত যদুপতিয়ে সভাৰ্যে কুকুৰটোৰ ওচৰলৈ গৈ সুধিলে— "তই ইয়াত কেনে আছ ?"

কুকুৰ— "মই সকলো প্ৰকাৰে ঠিকেই আছোঁ। কিন্তু মাজে সময়ে বাঘ এটাই মোক খাবলৈ খেদি আহে! তাতেহে মোৰ ভয়।" কৃষ্ণই কুকুৰটোক বাঘ এটা হবলৈ কৈ গুচি আহিল কেই দিন মানৰ পাচত গৈ কৃষ্ণই আকৌ বাঘটোক সুধিলে— "তই এতিয়া কেনে আছ ?"

বাঘ —" মই এক ৰকম ভালেই আছোঁ। কিন্তু মানুহৰ পৰা মই বৰ অশান্তি পাইছোঁ; সিহঁতে মোক মাৰিবলৈ আহে "

কৃষ্ণই—এই বাৰ বাঘটোক মানুহ হবলৈ কৈ গুচি আহিল এইদৰে মানুহৰ পৰা মন্ত্ৰী, ৰজা, যমদূত আৰু ব্ৰহ্মা হৈ শেষত বিষ্ণু হবলৈ মন কৰিলে। এতিয়া কৃষ্ণই ৰুক্মিণীক সকলো কথা বুজাই কলে। নিগনিয়ে গৈ যেতিয়া ব্ৰহ্মা হল, তেতিয়া কৃষ্ণই নতুন ব্ৰহ্মাক "আকৌ নিগনি হোৱা" (পুনৰ মুষিকো ভৱ) বুলি কৈ গুচি গল।

আশাৰ আদি-অন্ত ক'ত আছে !

" অতি আশা নকৰ্ত্তব্যো আশাং নৈব পৰিত্যজেৎ।

শিৱসাগৰ ৪ / ১।৩৬

# বসুদেৱৰ উপস্থিত বুদ্ধি।

ভাৰত-বিখ্যাত পবিত্ৰ বৃষ্ণি-বংশত বসুদেৱৰ জন্ম হয়। এওঁ বৰ গুণী আৰু দূৰদৰ্শী পুৰুষ আছিল।

দেৱক ৰজাই অতি সমাৰোহেৰে জীয়েক দৈৱকীক বসুদেৱলৈ বিয়া দিয়ে। এই উৎসৱত মহাবীৰ কংসইও বৰ আগ্ৰহেৰে যোগ দিছিল। যোগ্য জনৰ হাতত নিজৰ জীয়েক বা ভনীয়েকক অৰ্পণ কৰিব পাৰিলে, কাৰ মনত নো আনন্দ নহৈ থাকিব পাৰে? বিয়া হৈ যোৱাৰ পাচত কংসই ৰীতিমতে বৰ-কন্যাক আগ বঢ়াই থবলৈ লগত গল। সেই সময়ত কংস আনন্দত আত্মহাৰা। এনেতে আকাশী-বাণী হল। হৰিষত বিষাদ হল—

যাক লৈয়া যাস কংস শুনৰে অজ্ঞান।
এহিৰ অষ্টম গৰ্ভে তোৰ লইবে প্ৰাণ॥

হঠাৎ এই বচন শুনি বীৰ কংস ভয়ত অধীৰ হল। তেওঁৰ মনৰ আনন্দ কৰবালৈ উৰি গল। নিজৰ মৰণৰ কথা শুনিলেনো কাৰ ভয় নালাগিব? দৈৱকীয়েই তেওঁৰ মৰণৰ কাৰণ হব বুলি ভাবি তেওঁক কাটিবলৈ খেদি গল। দৈৱকী বিয়াৰ কইনা। তেওঁনো ককায়েকৰ ভয় দেখি কি মাতিব?

নিজৰ বিবাহিতা তিৰোতাক কংসই নিষ্ঠুৰ ভাৱে কাটিবলৈ খেদি যোৱা দেখি বসুদেৱে স্থিৰ ভাৱে মিনতিৰে কলে— 'মহাৰাজ, আপুনি জ্ঞানী, পৰম পণ্ডিত। সকলো প্ৰজাই আপোনাৰ গুণ যশৰ

শলাগ লয়। তেনে স্থলত আপুনি এগৰাকী অপৰাধ নাইকিয়া নাৰীক হত্যা কৰি আপোনাৰ নিৰ্ম্মল চৰিত্ৰত কলংক সানে কিয় ? আপুনি ত্ৰিভুবন-বিজয়া বীৰ; আপুনি এইদৰে মৰণলৈ ভয় কৰাটো ঠিক হৈছেনে ? তদুপৰি এওঁ আপোনাৰ ভনী। নাৰী-হত্যা মহা পাপ। বীৰ আৰু পণ্ডিতে মৃত্যুক কেতিয়াও ভয় নকৰে। শাস্ত্ৰতো আছে— "কৰ্ম্মৰ অধীন জীৱ যেতিক্ষণে যাই।

এড়ি পূৰ্ব্ব দেহা আউৰ শৰীৰক পাই ॥

যেন জোকে তৃণ পাইলে এৰে আন তৃণ।

জানে মৰণ স্বপ্ন এৰে মুহি ভিণ ॥"

বসুদেৱ ধৈৰ্য্য ধৰি নিজৰ মন শান্ত কৰি লৈ যিমান পাৰে সকটি হৈ কংসক নানা প্ৰকাৰে বুজালে; তথাপি তেওঁৰ বুজ নহল, খং সুগুচিল। বসুদেৱে মনতে ভাবিলে—হয়তো দেৱকীৰ গৰ্ভত পুত্ৰ নহবও পাৰে, নাইবা ইয়াৰ আগতে কংসৰো মৃত্যু হব পাৰে। সময়ৰ পাকত কাৰ কেতিয়া কি হয়, তাক কোনে কব পাৰে ? পিচত তেওঁ কংসক আকৌ কলে—

"শুনিলাহা ৰাজা যেন আকাশী বচন।

দৈৱকীত হন্তে নাহি তোমাৰ মৰণ ॥

আহান পুত্ৰত যেবে ভৈলা মৃত্যু ভয়।

স্থাপিবো তোমাতে উপাজিলে পুত্ৰচয় ॥" ৩৬ (দশম)

বসুদেৱৰ কথা শুনি কংসই ভাবিলে যে— তেওঁৰ মৃত্যু হব দেৱকীৰ সন্তানৰ হাতত্হে, দৈবকীয়ে নিজে তেওঁক বধ কৰিব নোৱাৰে। সেই কাৰণে তেওঁ শেহত দৈৱকীৰ অষ্টম

সন্তানটৈল বাট চাই থকাৰ ঠিক কৰি তেওঁলোকক এৰি দিলে !

এই খিনিতে ভীষণ বিপদৰ সময়তো বসুদেৱৰ উপস্থিত বুদ্ধি সম্পৰ্কে বিশেষ কৈ মন কৰিব লগীয়া। ই দিনে শুভ-কৰ্ম্ম সম্পন্ন কৰি বং মনেৰে ঘৰলৈ আহিছে। এনেতে আকৌ আকাশী বাণীৰ কথামতে কইনাৰ আপোন ককায়েকে সেই কইনাকেই কাটিবলৈ উদ্যত হৈছে। কি নিকৰুণ দৃশ্য !

বসুদেৱৰ অন্তৰ সবল, তেওঁৰ জ্ঞান আছে। সেই কাৰণেহে তেওঁ বিবেক-বুদ্ধিৰ বলত মহা বিপদৰ পৰা উদ্ধাৰ হল। কপটীয়া, মামৰ লগা মনত সজ বুদ্ধিৰ উদয় নহয়। সংসাৰী মানুহক বসুদেৱৰ দৰে এনে উপস্থিত বুদ্ধি লাগে। জ্ঞানীলোকে কেতিয়াও বিপদৰ অধীৰ নহয়।

ভাগৱতত এনেকুৱা লিখিব লগীয়া কথা অনেক আছে। মহাপুৰুষ মাধৱদেৱে নাম-ঘোষাত লিখিছে —

বৈকুণ্ঠৰ কল্প-তৰু ভাগৱত শাস্ত্ৰ।
ইহাৰ উত্তম ফল হৰি নাম মাত্ৰ ॥

বাস্তৱতে ভাগৱত কল্প-তৰু শাস্ত্ৰ; তাৰ ওচৰৰ ভক্তি ভাৱে যিহকে বিচৰা যায়, তাকেই পোৱা যায়।

যি বসুদেৱ ভগবান শ্ৰীকৃষ্ণৰ জনক, তেওঁলৈ প্ৰণাম। ইতি —

গোলাঘাট।
১৯.৯।৩৯

# মহাৰাজ যুধিষ্ঠিৰৰ শিক্ষা।

যুধিষ্ঠিৰ এজনা ৰজাৰ ল'ৰা আৰু সমস্ত ভাৰতবৰ্ষৰ ভাবী সম্ৰাট। এদিন তেওঁ শতাধিক ভাই সকলৰ সৈতে একেলগে পঢ়ি থাকোঁতে ওজাদেৱে আহি কাৰ কিমান পাঠ মুখস্থ হৈছে তাৰ হিচাপ সুধিলেহি। ভায়েকহঁতে যাৰ যিখিনি পাঠ মুখস্থ আহিছিল ওজাদেৱক টপৰাই গাই শুনালে। কিন্তু ল'ৰা যুধিষ্ঠিৰে একোকে নোকোৱাত ওজাদেৱে সুধিলে "বোপা, তোমাৰ পাঠ আহিছেনে?" যুধিষ্ঠিৰে উত্তৰ দিলে— "ওজাদেৱ, মোৰ বৰ্ণমালা পঢ়া হৈছে আৰু প্ৰথম ভাগৰ প্ৰথম শাৰী কথা পঢ়িছোঁ।" এই কথাত ওজাদেৱৰ খং উঠিল আৰু টানকৈ কলে— "ইমানকেহে পঢ়িছা?" তেতিয়া অলপ চুচুক-চামাককৈ কলে—"দ্বিতীয় শাৰীও পঢ়িছোঁ।" কোঁৱৰ কৈও অলপ মাথোন পাঠ আওৰাই তাকে বুকু ফিন্দাই সকলোৰে আগত কোৱা দেখি ওজাদেৱৰ খং উঠিল। ওজাদেৱে ভাবিছিল, কোঁৱৰ যুধিষ্ঠিৰে নামৰ কাৰণে হলেও গুৰিৰেপৰা মনদি পঢ়িব। কিন্তু এইদৰে শামুকৰ খোজেৰে যে আগবাঢ়িব তাকতো কেৰে নাভাবিছিল। ওজাদেৱে চেকনিৰ আগত ল'ৰাৰ বিদ্যা থকা কথাযাৰ বৰকৈ মানে। যুধিষ্ঠিৰৰ পঢ়াৰ ধীৰ গতি দেখি তাক অলপ চৰাই দিবৰ কাৰণে ভালকৈয়ে পিঠিত সোকা মেলি দিলে। কিন্তু বিচুৰ্ত্তিৰকথা ল'ৰাই চেকনিৰকোব হাঁহি মুখেৰে পাতি ললে। ৰাজ-কোঁৱৰে ভয় বা দুখত অলপো উদ্বিগ্ন নোহোৱা দেখি ওজাদেৱ

থমকিল আৰু এনেতে ৰাজ-কোঁৱৰৰ আগত মেল খাই থকা পুথিত চকু পৰাত দেখিলে প্ৰথম ফাঁকিতে লিখা আছে— "কেতিয়াও খং নুতুলিবা, কেতিয়াও আমনি নাপাবা আৰু কেতিয়াও কাৰো ওপৰত খং নকৰিবা।" তাৰ পাচতে লিখা আছে— "সদায় সকলো দিয়ে সঁচা কথা কবা।" ওজাদেৱৰ ছাংকৰে কথা ফাঁকিৰ অৰ্থটো মনত পৰিল। ওজাদেৱে এই কথা ফাঁকি কতবাৰ পঢ়িছে আৰু কত ছাত্ৰক পঢ়াইছে; কিন্তু তেওঁ নিজেওতো এইদৰে নিজৰ গাতে খটুৱাই কথাষাৰৰ ৰস আজিলৈকে গ্ৰহণ কৰিব পৰা নাছিল। ওজাদেৱে কোঁৱৰক শলাগি কলে—"বোপা, তোমাৰ পাঠ আটাইতকৈ ভালকৈ আহিছে।" ইয়াতে কোঁৱৰে কলে— "নহয় ওজাদেৱ, প্ৰথম ফাঁকি কথাৰ দ্বিতীয়টি এতিয়াও মোৰ ভালকৈ অহা নাই, কাৰণ আপুনি মোক মাৰি থাকোঁতে পেটে পেটে মোৰ অলপ খং উঠিছিল।" এই পেটৰ কথাটি তেওঁ নকৈও পাৰিলেহেঁতেন, কিন্তু দ্বিতীয় ফাঁকিত আছে "সদায় সকলো অৱস্থাতে সঁচা কথা কবা।" গতিকে তেওঁ সঁচা কথা কলে।

আমি খং উঠিলেই বা ভয় খালেই ততালিকে মৰাৰ লেখিয়া হওঁ আৰু উপায় বিচাৰি নাপাওঁ। এই দেহ ভগবানৰ মন্দিৰ বুলি শাস্ত্ৰত পঢ়িছোঁ। দেহৰ ভিতৰত ভগবান আছে। ইয়াত ভয় আৰু হিংসা আদিক ঠাই দিব নাপায়।

শ্ৰীযুত উৎসবানন্দ গোস্বামী।

# ভীষ্মদেৱৰ চকু-লো।

মহাৰাজ শান্তনুৰ ঔৰষত গঙ্গাদেৱীৰ গৰ্ভত ভীষ্মদেৱৰ জন্ম হয়। ভীষ্মদেৱ সত্যব্ৰত, পিতৃ-ভক্ত আৰু ব্ৰহ্মচাৰী আছিল। তেওঁৰ আন নাম দেৱব্ৰত। ভীষ্মদেৱ অষ্ট বসুৰ ভিতৰত শেহৰ জনা। এই ভীষ্মৰ পৰাই "ভীষ্ম-প্ৰতিজ্ঞ." বচনৰ জন্ম।

সাধনাৰ বলত পিতৃদেৱৰ কৃপাত ভীষ্মদেৱে —ইচ্ছা মৃত্যু বৰ লাভ কৰে। তেওঁ কুৰুক্ষেত্ৰত দহ দিন মহা পৰাক্ৰমেৰে যুঁজি শৰ শয্যাত পৰিল। এনে বীৰত্ব জগতৰ বুৰঞ্জীত অতি বিৰল।

ভীষ্মদেৱ শৰ-শয্যাত পৰাত কৌৰৱ আৰু পাণ্ডৱ পক্ষৰ অৰ্দ্ধৰথী, ৰথী আৰু মহাৰথী আদি সকলো বীৰেই ককাদেউতাকৰ কেউফালে উপস্থিত হলহি। সেই সময়ত কুৰুপতি দুৰ্য্যোধনে তেওঁক সোণ-ৰূপৰ লোটাত কৈ পানী আনি দিলেহি; কিন্তু অৰ্জ্জুনে শৰেৰে বিন্ধি পাতালৰ পৰা গঙ্গা-জল আনি তেওঁক পিয়াল দিলে। অৰ্জ্জুনৰ বীৰত্ব পূৰ্ণ কামতহে ভীষ্মদেৱ সন্তুষ্ট হ'ল।

এনে সময়তে তেওঁৰ দু চকুৰেদি পানী বৈ গল। তাকে দেখি অৰ্জ্জুনে শ্ৰীকৃষ্ণক সুধিলে,— "সখি, ককাদেউতা পৰম পণ্ডিত, জ্ঞানী আৰু মহাপ্ৰাণ; তেওঁৰ দৰে আদৰ্শ পুৰুষ ভূ-ভাৰতত অৱতীৰ্ণ হোৱা নাই। কিন্তু তেনেহেন মহাপুৰুষৰো সোঁৱা চকুৰেদি পানী বৈ গৈছে; ইয়াৰ নো কাৰণ কি? মোৰ বোধেৰে ইও এটা অতি আচৰিত কথা।"

অৰ্জ্জুনৰ কথা শুনি শ্ৰীকৃষ্ণই ভীষ্মক কলে— "বীৰ,' সখিয়ে

মোক যি কথা সুধিছে, অনুগ্ৰহ কৰি আপুনিয়েই বুজাই দি আমাৰ মনৰ সন্দেহ দূৰ কৰক।”

শ্ৰীকৃষ্ণৰ কথা শুনি ভীষ্মদেৱে হাত-যোৰ কৰি ধীৰ-গম্ভীৰ ভাৱে কবলৈ ধৰিলে— “হে প্ৰভু, তুমি সকলো কথাকেই জানিও নজনা ভাও ধৰা; তোমাৰ অপাৰ মহিমা। ‘নাহি জন্ম তোমাৰ তথাপি জন্ম ধৰা। সেহি জন্মে জীৱৰ জনম দূৰ কৰা।’ ব্ৰহ্মা-হৰেও তোমাৰ গুণ-কীৰ্ত্তন কৰি পাৰ নাপায়। মোৰ চকুৱেদি নো কিয় পানী ওলাইছে, তাক তুমি জানি শুনিও নজনা যেন দেখুৱাইছা। তাতেই তোমাৰ লীলা মাহাত্ম্য। সুধিছা বাবে চমুকৈ কওঁ—শুনা, যি পাণ্ডৱ সকলৰ সাৰথি হল স্বয়ং ভগবান শ্ৰীকৃষ্ণ, সেই পাণ্ডৱ সকলৰ বিলাই বিপত্তি, যেনে— দ্ৰৌপদীৰ বস্ত্ৰ হৰণ, বন বাস, অজ্ঞাত-বন বাস, জতু-গৃহ দাহ আদিৰ কথা মনত পৰাত হে মোৰ চকু-লো ওলাইছে। যি সকলৰ সাৰথি হল নাৰায়ণ, সেই সকল পৰিল বিপদ-সাগৰত; যি বিপদৰ আদি নাই, অন্ত নাই। পাণ্ডৱ সকলৰ সেই অৱস্থাৰ কথা যিমানে মোৰ মনত পৰিছে, সিমানে চকু-লো বেচিকৈহে ওলাইছে। তুমি লীলাময়; তোমাৰ লীলাৰ আদি ক’ত অন্ত ক’ত ধৰিবই নোৱাৰি। এই অন্তিম-কালত মোৰ চকু-লো ওলোৱাৰ এয়ে কাৰণ— আন কাৰণ নাই।”

ইয়াৰ অলপ পাচতেই ভীষ্মদেৱৰ পুণ্যাত্মাই বৈকুণ্ঠলৈ প্ৰয়াণ কৰিলে। ইতি—

গোলাঘাট ১৮।৯।৩৯

# মিত্ৰৰ উপকাৰ।

(১)

ঘটোৎকচ মহাবীৰ; প্ৰকাণ্ড তেওঁৰ শৰীৰ, অসীম তেওঁৰ বল-বীৰ্য্য। যেনে নাম, তেনে কাম। তেওঁৰ মূৰ্ত্তি দেখিলেই বুকু কঁপে; আৰু শত্ৰু পক্ষৰ মহা মহা বীৰো পলাই পৰং দিয়ে।

তেওঁৰ পিতাক দ্বিতীয় পাণ্ডৱ গদাবীৰ ভীম। মাক আমাৰ অসমৰেই জীয়ৰী হিৰম্বা।

(২)

কুৰুক্ষেত্ৰৰ মহাৰণত ঘটোৎকচে পিতৃ অৰ্থাৎ পাণ্ডৱৰ পক্ষলৈ ৰণ কৰিছিল। তেওঁ সিংহ-বিক্ৰমেৰে যুঁজি কৌৰৱ পক্ষৰ অনেক বীৰক বধ কৰিলে। ঘটোৎকচে খাওঁ খাওঁ মূৰ্ত্তি ধৰি যুদ্ধ কৰিছে; যেয়ে তেওঁৰ আগত পৰিছে সেয়ে সিপুৰিলৈ গৈছে বা পলাইছে। তাকে দেখি কৌৰৱ সকলৰ মাজত হাহাকাৰ হল।

ঘটোৎকচক বধ কৰাৰ আন উপায় নাপাই শেহত কৰ্ণই একাঘ্নী অস্ত্ৰ প্ৰহাৰ কৰিলে; সেই অব্যৰ্থ অস্ত্ৰে বিন্ধাত নিজৰ মৃত্যু সু-নিশ্চিত বুলি জানি পিতৃ আৰু গুৰু জনলৈ সেৱা জনাই নিজৰ মনতে ভাবিলে— "এইবাৰ মোৰ মৰণ হবই, এনে মৰণ অৱশ্যে বাঞ্ছনীয়। পণ্ডিত সকলে কয়, যাৰ লোণ খোৱা যায়, তাৰ গুণ গাব লাগে। অৰ্থাৎ পৰা যায় মানে মিত্ৰৰ উপকাৰ কৰিব লাগে।

তাকে নকৰিলে মিত্ৰদ্ৰোহী হব লগীয়া হয়। মিত্ৰদ্ৰোহীৰ কোনো কালেই কল্যাণ নহয়। মোৰ দেহাটো বেচ ডাঙৰ, গতিকে মই এতিয়া শত্ৰু পক্ষৰ সেনাৰ ওপৰত বাগৰি পৰি চেতনা পাক্ৰে মানে ভালকৈ এটা লুটি বাগৰ দিলে অন্ততঃ কেইজন মান শত্ৰু সেনা মৰিব। তাকেই কৰোঁ বা!"

এই বুলি ভাবি ভাবি স্থূলকায় ঘটোৎকচে কৌৰৱ পক্ষীয় সেনাৰ পিনে বাগৰি পৰি ভালকৈ এটা লুটি বাগৰ দিলে। তেনে কৰাত কিছুমান সেনা মৰিল আৰু কিছুমান চেদেলি ভেদেলি হৈ পলাল।

ঘটোৎকচৰ আত্মাই অন্তিম কালত কলে—"এয়া মোৰ পিতৃ ঋণ পৰিশোধ।" ইতি—

গোলাঘাট

১৮-৯-৬৯

—:+:—

# "সহদেউ, কি কহ কহ !"

মহা ভাৰতত কৌৰৱ আৰু পাণ্ডৱৰ মহা ৰণৰ কথা বৰ্ণোৱা আছে। গৃহ-বিবাদেই এই ৰণৰ মূলকাৰণ। এই ৰণ অনেক দিন চলিছিল। পঞ্চ পাণ্ডৱ হৈছে— যুধিষ্ঠিৰ, ভীম, অৰ্জ্জুন, নকুল, আৰু সহদেৱ। এওঁ লোকৰ ভিতৰত সহদেৱ সবৰজ্ঞান। তেওঁ ভূত ভবিষ্যতৰ সকলো কথা কব পাৰিছিল। সেই কাৰণে যুধিষ্ঠিৰে সদাই তেওঁক কাইলৈ যুদ্ধ কেনেকুৱা হব, বা কোন জিকিব প্ৰশ্ন কৰে। সহদেৱেও আঙুলিৰ মূৰত হিচাব কৰি সকলো কথা কৈ দিয়ে। আন হাতে সহদেৱ এজনা ডাঙৰ বীৰ।

এদিন যুধিষ্ঠিৰে সুধিলে,—"বোপা সহাদেৱ, কোৱাচোন, কাইলৈ যুদ্ধত কাৰ জয় হব।" সেই সময়ত দহিকটা নামৰ এটা চৰায়ে তেওঁলোকৰ কথা-বতৰা শুনি আছিল। সেই চৰাইটোৱেও নজৰা-নিচিন্তাকৈ কলে— "সহাদেউ, কি কহ কহ ?"

এই কথা শুনি সহাদেৱৰ খৰ খং উঠিল আৰু কলে— "তই সামান্য চৰাইএটাই মোক লঘু কৰিব পাৰা হলি ? তোৰ ইমান অহঙ্কাৰ ? তই আজিৰপৰা সদাই মোৰ নাম লৈ মোৰ গুণগাই থাকিব লাগিব। সেয়েই তোৰ মাত কথা হব।"

সেই শাপৰ কাৰণেই চৰাইটিয়ে আজি-কালিও "সহদেউ, কি কহ কহ !" কৰি চিএৰি ফুৰে। তাক মানুহে 'দহিকটা' নুবুলি 'সহদেউ' চৰাইহে বোলে। নজৰা নিচিন্তাকৈ য'তে ত'তে কথা কোৱা মানুহবো এনেকুৱা দশা হয়। ইতি—

( ১৫-৫-৪১ তাৰিখৰ "জন শিক্ষাৰ" পৰা তোলা হল। )

# জয়তি

## দ্বিতীয় আধ্যা

## সাধু-সঙ্গৰ মাহাত্ম্য

পুৰণি কালত কোনো এখন গাৱঁত অনন্ত নামৰ এজন অঘাইতং চোৰ আছিল। তেওঁৰ চুৰি বিদ্যা জগৎ বিখ্যাত। অনন্ত চোৰৰ নাম শুনিলেই মানুহৰ বুকু কঁপি উঠে।

এদিন ঘিট-মিটীয়া আন্ধাৰ ৰাতি অনন্তই সেই ৰাজ্যৰ ৰজাৰ ঘৰলৈ চুৰি কৰিবলৈ গৈছিল। চোৰ গৈ পোৱা সময়তো ৰজা ৰাণী সাৰে আছিল; আৰু তেওঁলোকে জীয়েক গীতাদেৱীৰ বিয়াৰ বিষয়ে এইদৰে কথা পাতিছিল।

ৰাণী— ঘৰৰ ভিতৰত মাথোন এজনী ছোৱালী। তাইৰ বয়স ষোল বছৰ পাৰ হৈ গল। ৰূপগুণতো মোৰ গীত আই অতুলনীয়া। ইমান দিনেও ছোৱালী জনীৰ বিয়া ঠিক নোহোৱাটো বৰ বেয়া হৈছে, গাভৰুছোৱালী এইদৰে ঘৰত ৰাখি থোৱাটো পাপ।

ৰজা— ৰাণী, ছোৱালীৰ বিষয়ে মই নভবাকৈ থকা বুলি নাভাবিবা। ছোৱালী হলে তাইক সুশিক্ষিতা কৰি সৎপাত্ৰত অৰ্পণ কৰাটো শাস্ত্ৰৰ নিয়ম। ৰামায়ণ, মহাভাৰত আদি শাস্ত্ৰ সমূহেও আমাক তাকেই শিক্ষা দিয়ে। তাকে নকৰি অপাত্ৰত কন্যা অৰ্পণ কৰিলে পিতৃ মাতৃৰ কল্যাণ নহয়। উপৰি পুৰুষ সকলোৰো

সদগতি নহয়। মই অলপতে পুণ্য-ক্ষেত্র নৈমিষাৰণ্যলৈ গৈ তাৰপৰা এজনা সৎ-পাত্র বিচাৰি আনি মোৰ গীতাদেৱীক সম্প্রদান কৰিম। ছোৱালীৰ লগত মোৰ আধা-ৰাজ্য আৰু ৰাজ-ভঁৰালৰ আধা ধন দিম। তুমি এতিয়া বৰ বেচি চিন্তা নকৰিবা ৰাণী। কন্যা-দায়ৰ পৰা মুক্ত হব পৰাটো মম্বো মোৰ কৰ্ত্তব্য বুলি ভাবোঁ।

ৰজাৰপৰা আশ্বাস-বাণী পাই ৰাণী নিমাত হল। তেওঁৰ মনলৈ সান্ত্বনা আহিল।

দো-ভাগ নিশা ৰজা-ৰাণীয়ে সেইদৰে কথা হৈ থকাটো অনন্ত চোৰে মনে মনে জপ লৈ শুনি আছিল ৰাজ কন্যা আৰু ৰাজ্য লাভৰ আশাতেই সি ঘৰ-বাৰী আৰু লৰা-তিৰোতাৰ মমতা ত্যাগ কৰি সেই ৰাতিৰ ভিতৰতেই নৈমিষাৰণ্য সত্রলৈ বুলি খোজ ললে। সিদিনা আৰু তাৰ চুৰি কৰা নহল। সি ভাবিলে— "নৈমিষাৰণ্যত যি সকল ঋষি মুনি আৰু সাধু-সন্ন্যাসী আছে, তেওঁলোকেতো বিয়া-বাৰু নকৰায় আৰু তেওঁলোকক ৰাজ্য-ধনো নালাগে! মই গৈ তেওঁলোকৰ মাজত কিছুদিন সাধু-বেশেৰে থাকিব পাৰিলে ৰাজকন্যা আৰু তাৰ লগতে আধা ৰাজ্য যৌতুক স্বৰূপে পোৱাৰ খুব সম্ভৱনা আছে। কোনোমতে কাৰ্য্য সিদ্ধি কৰিব পাৰিলেই হয়!"

অনন্তই সেইদৰে ভাবি নৈমিষাৰণ্যলৈ গৈ তাৰ সাধু সকলৰ আশ্রয় ললে গৈ।

নৈমিষাৰণ্যত অসংখ্য সাধু সন্ন্যাসী থাকে। সাধুসকলে ভাগে ভাগে বেদ-বেদান্ত আৰু পুৰাণভাগৱত আদি পাঠ কৰে। সকলোৰে মাজত সৰলতা, সদ্ভাৱ আৰু বন্ধুতা বিৰাজমান।

কোনেও কাকো হিংসা নকৰে; সকলোৱে মুখত মধুৰ হাঁহি, অন্তৰত উত্তম আৰু প্ৰেৰণা। আশ্ৰমৰ কেউফালে থকা মনোৰম প্ৰাকৃতিক দৃশ্য বাজিলৈ চকু পৰিলে মন-প্ৰাণ হৰি নিয়ে। সংসাৰৰ আলৈ-আহুকাল, বিপদ-আপদ, ৰোগ-শোক আৰু নিন্দা-গৰিহণা তাত লেশ মাত্ৰ নাই। তাত চিৰ শান্তি, চিৰ সত্য বিৰাজিত। এনে পবিত্ৰ ঠাইত উপস্থিত হল গৈ অঘাইতং চোৰ অনন্ত। চোৰ হলেও তাৰোতো প্ৰাণ আছে; সিওতো ঈশ্বৰৰ সৃষ্টিৰেই এটি প্ৰাণী!

আশ্ৰমত অনন্তই নানা সৎ-কৰ্ম্ম আৰু সৎ-অনুষ্ঠানত লাগি থাকোঁতে থাকোঁতে সি তাৰ আগৰ চুৰি-বৃত্তিলৈ একে বাৰে পাহৰিলে। সি তাৰ আগৰ কু-প্ৰবৃত্তিৰ বিষয়ে ভাবিবলৈ অকণো আজৰি নোপোৱা হল। সাধু সন্ন্যাসীৰ লগত পৰি ঈশ্বৰ কি বস্তু, শাস্ত্ৰ-কিয় পঢ়িব লাগে, মানুহৰ প্ৰধান কৰ্ত্তব্য কি,— সি সকলো বুজি পালে। তাৰ চঞ্চল মন ধীৰ হল। সাধুৰ প্ৰতিভাই তাৰ মনৰ আন্ধাৰ দূৰ কৰিলে।

কিছু দিনৰ পিচত এদিন সৎ-পাত্ৰ বিচাৰি ৰজা গৈ সেই আশ্ৰমত উপস্থিত হল। ৰজাই অতি বিনীত ভাৱে সাধুসকলৰ আগত নিজৰ মনৰ ভাৱ প্ৰকাশ কৰিলে। কিন্তু কোনোজন সাধুৱেই ৰজাৰ প্ৰস্তাৱত মত নিদিলে; কাৰণ সংসাৰ বুলিলেই নিকাৰ, বন্ধন।

শেহত গৈ ৰজা অনন্তৰ ওচৰত উপস্থিত হল। ৰজাক দেখিয়েই সি চিনি পালে। অনন্তই প্ৰথমতে যি উদ্দেশ্যেৰে আহি আশ্ৰমত আশ্ৰয় লৈছিল, পাচত সি তাকো পাহৰি গল। সাধু-সঙ্গৰ

এনেহে মহিমা। ৰজাক সন্মুখত দেখি অনন্তই নতশিৰে কলে—"মহাৰাজ, আৰু কিছু দিন আগেয়ে আপুনি এই আশ্ৰমলৈ অহা হলে কি কৰিলোঁহেঁতেন কব নোৱাৰোঁ; কিন্তু মই এতিয়া এনে নিৰ্ম্মল সাধু-সঙ্গত আছোঁ যে, তাৰ এশ ভাগৰ এভাগ সুখ-শান্তিও ৰাজ্য আৰু ৰাজ-কন্যাই দিব নোৱাৰে মই এতিয়া পৰমপিতাৰ পৱিত্ৰ চৰণ-ছত্ৰৰ ছায়াত পৰম প্ৰীতিৰে আছোঁ। এই আশ্ৰমেই মোক ভৱ-বৈতৰণী পাৰ কৰাব। ইয়াত আপোনাৰ মনোবাঞ্ছা পূৰ্ণ নহব। আপুনি কৃপা কৰি আন ঠাইত পাত্ৰ বিচাৰ কৰিলেহে ভাল হব।" সেইদৰে সমিধান পাই ৰজাই লাহে লাহে ৰাজধানী মুৱা হল। তেৱোঁ সেই দিনাহে সাধু-সঙ্গৰ মহিমা ভালকৈ বুজি পালে।

ঋষি মুনি সকলে কৈছে—

সু-সঙ্গই দেৱতা, কু-সঙ্গই ভুজঙ্গ। ইতি—

শিৱসাগৰ
২৭।৭।৩৬

---

ভুজঙ্গ = সাপ।

# পাহাৰৰ ওপৰৰ পঁজা

কহৰা নামৰ সৰু পাহাৰ খন। তাৰে ওচৰতে কাজিৰঙা হাবি আৰু কিছু দূৰত দিবিং নামৰ সৰু নৈ এখন।

এই পাহাৰৰ ওপৰতেই এজন মানুহৰ এটা পঁজা-ঘৰ। পঁজাটি সৰু হলেও দেখাত বৰ ধুনীয়া। তাৰ পৰা কাজিৰঙা হাবিৰ সেউজীয়া দৃশ্যটো ভালকৈ দেখা যায়।

ভৈয়ামতকৈ পাহাৰত বেচি বতাহ লাগে। এদিন চ'ত মহীয়া হঠাৎ বৰধুমুহা আহিল। ধুমুহাৰ কোবত পঁজাটো থৰ থৰকৈ লৰিবলৈ ধৰিলে। সেই কাৰণে মানুহ জনৰ মনত বৰ ভয় হল।

পঁজাটো পৰিবৰ ভয় কৰি মানুহ জনে ভাবিলে— "হনুমান হৈছে পৱন দেৱতাৰ পুতেক। বাপেকৰ পুতেকলৈ মৰম থাকিবই। সেই কাৰণে ইয়াক হনুমানৰ পঁজা বুলিহে কোৱা যাওক।" তাকে ভাবি সি দুৱাৰ মুখেদি মুখ খন উলিয়াই স্তুতি কৰিবলৈ ধৰিলে— "পৱন দেৱ, এইটো আপোনাৰেই চেনেহৰ বীৰ পুত্ৰ হনুমানৰ পঁজা; পঁজাটি নাভাঙে যেন।"

এইদৰে স্তুতি-নতি কৰাতো পঁজাৰ কঁপনি নকমিল, বৰং বেচিহে হ'ল। তাৰ পাচত সি আকৌ আন এটা নতুন বুদ্ধি বাহিৰ কৰি কলে— "হে অনিল দেৱ, ই হৈছে ভগবান শ্ৰীৰামৰ ঘৰ; আপোনাৰ পুত্ৰ হনুমানে শ্ৰীৰামক মানে, আপুনিনো নামানিবনে? ঘৰ খন নাভাঙে যেন।"

ধুমুহার্ক ঢৌৰি লার্ছে-লাহে বেচি। পঁজাটো বাগৰি পৰাৰ আগতেই মানুহজনে পৰ বাগৰি; মৰ-পঁজা বুলি ওলাই লৰ দিলে। তেতিয়া আৰু তাৰ পঁজালৈ মায়া নাইকিয়া হল।

ঈশ্বৰ বা দেৱতাই ভেটী নাথায়। সি মল-মতি মানুহৰ হে কাম।

যেতিয়ালৈকে ঘৰ খন থিয় হৈ থাকে, তেতিয়ালৈকেহে মানুহৰ তালৈ মৰম-চেনেহ লাগে। মানুহৰ জীৱনতো এই দৃষ্টান্ত খাটে। মানুহজন জীয়াই থাকিলে সি পৱিত্র হৈ থাকে; কিন্তু জীৱ বাজ হলেই সি শৱত পৰিণত হয়। সেয়েহে দেহ-তত্ত্ববিদ পণ্ডিত সকলে গাইছে—

সোণৰ পুতলী বাছা কাৰ ঘাটে জলেহে।
অ' কোনে দিব অন্ন-জল মোৰ কোনে লৈব কোলেহে॥

*    *    *

এয়ে হৈছে সংসাৰৰ খেলা; ৰজা-প্ৰজা ধনী-দুখীয়া কোনেও এই খেলাৰ হাত সাৰিব নোৱাৰে। ইতি—

গোলাঘাট,
বিশ্বকৰ্ম্মা পূজা
১৭।৯।৩৯

# নাহিকে দোষণ।

খাটোৱান গাৱঁৰ এচুকত মেতাই হোজাৰ ঘৰ। তাৰ ৰটিক ঘৰ মুবুলি পঁজাহে বুলিব লাগে। ওচৰতে কাকদোঙা নৈ। এদিন মেতাই হোজা যক পুৰোহিতৰ ঘৰলৈ। তাৰ বাটৰ সাৰথি গোঁ। ন-টি গুণ থকা টোকান ভাল।

পুৰোহিতৰ ঘৰ পাই মাত লগক— "দেউ ঘৰত আছে নে?"

পুৰোহিতে মাতক "আ—ছো— কোন।

বাপুৰে ওলাই আহি দেখে মেতাই। "অ'তুমি, বহা সেই ানিতে তামোলৰ ঢকুৱা এটুকুৰা থাকিব পায়, চোৱা চোন!"

"ভাল বহিম বাক!"—মেতায়ে কলে।

তাৰ পাচত দেউৱে সোধক —"পিচে ভকত অহাৰ নো কাম কি?

মেতায়ে কলে— "দেউ, বহুত দিন এই ফালে অহা নাই। াজি কিবা এটা মন গল আহিলোঁ। এই দোনটোতেই কোমল উল দুটামান আছে, সিও আপোনাসবৰেই বস্তু, লব লাগে।"

তামোল-চালি খোৱাৰ পাচত মেতাই ভকতে আকৌ কথা-সঙ্গত কলে— "পিচে দেউ এটা কথা নহয়, এই গৰু মাৰিলে াই ধেনু পৰাচিত লাগে।"

লাভৰ আশা যেন দেখি দেউৱে বৰ আগ্ৰহেৰে কলে— কলেই নো, কোনোবাই মাৰিলে নে কি?"

"নহয় দেউ, এনেয়েহে সুধিছোঁ। এইবোৰ শাস্ত্ৰৰ কথা জানি থোৱা ভাল! পিচত শিয়াল মাৰিলে এক।"

পুৰোহিতে কওঁক— "শিয়াল মাৰিলে দুই ধেনু পৰাচিত লাগে।"

এই কথা শুনি মেতায়ে দুটা মান ঢিলা সুৰুঙ কাঁহ মাৰি লৈ কলে— "পিচত এটা কথা নহয়, আপোনাৰ লৰাটিয়ে কালি এটা শিয়াল মাৰিলে নহয়।"

নিজৰ গাতেই পৰা যেন দেখি দেউ কিছু পৰ বৈ থাকিল। পিচত বুধি খটাই কলে—"সি কিমান সময়ত শিয়াটো মাৰিলে?"

মেতায়ে কলে— "গধূলি পৰত।"

তেতিয়া পুৰোহিতে শ্ৰুতি মেলি চাই— মেতাইক সমিধান দিলে-

"পথাৰৰ শিয়ালী,
মাৰিলে বিয়লি;
বামুণৰ লৰাৰ নামটি ভুবন,
—তাত নাহিকে দোষণ।"

জোকৰ মুখত চূণ পৰা যেন হৈ মেতাই হোজা ঘৰ মুৱা হল। ইতি-

শ্ৰীলীলাধৰ বৰদলৈ।

কহিমা, ২১.৯.৩৯।

# কৰ্ণ পুৰাণ।

২৮।১২।৩৫ তাৰিখ, শনিবাৰ। বৰপেটা নগৰৰ পূব ফালেদি বৈ যোৱা নখান্দা নৈৰ পাৰৰ বহল পথাৰত কংগ্ৰেচ মহা-সভাৰ পঞ্চাছ বছৰীয়া সোণালী জুবিলী শ্ৰীযুত ঘনশ্যাম দাস বি এ কবিৰাজ মহোদয়ৰ সভাপতিত্বত বহিছে। দেউল যাত্ৰীৰ দৰেই তাতৈ অসংখ্য নৰ-নাৰীৰ সমাগম হৈছে।

সভাৰ সকলো কামেই ভাল দৰেই শেষ হৈ গৈছে। সেই সভা মণ্ডপতেই ৪ কি ৫ মান বজাত ওজাপালী আৰম্ভ হল। এই ওজা-পালী চাবলগীয়া। সেই দিনাৰ ওজা পালীয়ে হৰ-পাৰ্ব্বতীৰ কাহিনী বৰ্ণনা কৰিছিল। ওজা-পালীয়ে নাচি-বাগি নানা ৰকম গীত-পদ গোৱাৰ লগে লগে ধেমেলীয়া প্ৰকৃতিৰ এজন মানুহে এটা ধেমেলীয়া কথা উলিয়ালে। তেওঁক 'ডাইনা-পালী' বোলে। তেওঁৰ নাচ-বাগ আৰু বহুৱালি অতি সুন্দৰ।

ডাইনা-পালীয়ে কোৱা ধেমেলীয়া কথাটো ইয়াত উল্লেখ কৰা হল।

কেওট কুচি গাৱঁত এহাল বুঢ়া-বুঢ়ী আছিল। সিহঁতৰ এটি মাত্ৰ লৰা আৰু বোৱাৰীয়েক। বোৱাৰীয়েকৰ চেহেৰাটি এঙ্গাৰ যেন কলা।

এদিন পুৱা বুঢ়াৰ পুতেকে পথাৰলৈ যাবৰ সময়ত তাৰ ঘৈণীয়েকক এচিলিম ধপাত লগাবলৈ কলে। গিৰীয়েকৰ কথা

শুনি তাই কিবা বুজি শাহুৰেকক সোনকালে ভাত বান্ধিবলৈ কলে. কিন্তু ধপাত লগোৱা নহল। বোৱাৰীয়েকৰ কথা শুনি বুঢ়ীয়ে বুঢ়াৰ ফালে চাই হাত জোকাৰি জোকাৰি কলে যে— মই মনৰৰৰ ঘৈণীয়েক সক মুখাৰ কাণৰ কেৰু চুৰি কৰা নাই। মইনো এই বুঢ়া কালত কেৰু কি কৰিম।”

বুঢ়ীৰ কথা শুনি বুঢ়াই ইমান পুৱাতে মাছ মাৰিবলৈ যাব নোৱাৰোঁ বুলি ঠৈ থম্ থম্ মদন গোপাল হৈ জুহালৰ ওচৰত বহি থাকিল। সেই সময়ৰ কথা সিমানতে অন্ত।

পুতেকে পথাৰৰ পৰা অগ্নি-শৰ্ম্মা যেন হৈ আহি ঘোণীয়েকৰ পিঠিত কেইবাটাও কিল শোধালে। তাই গৈ আকৌ কান্দি-কাটি শাহুৰেকক যে আগেয়ে ভাত বান্ধিবলৈ কৈছিল আৰু তাকে নকৰাতহে যে কিল খাব লগীয়া হল তাকে কলে। বুঢ়ীয়ে আকৌ বুঢ়াক কলে যে, তাই মনৰৰৰ ঘৈণীয়েকৰ কাণৰ কেৰু কেতিয়াও চুৰ কৰা নাই। আৰৰ দিনত জুহালৰ গুৰিত উম লৈ বহি থকা বানোহ বুঢ়াই আগ-পিচ নাচাই “মৰ বুঢ়ী মৰ, মই তেতিয়াই নকৈছিলো। মাছলৈ যাব নোৱাৰোঁ বুলি ? এতিয়া আকৌ দিগ্-দাৰ দিবলৈ আহিছ ? কেনে মজা ! খা মাছ খা ”— বুলি পিঠিত দকোটামান ভুকু লগাই দিলে। এয়ে হল বানোহ বুঢ়াৰ ঘৰৰ “কৰ্ণ পুৰাণৰ” কথা। এতিয়া [illegible] চাবলৈ অহা বাইজে বিচাৰ কৰি চাওঁক – এওঁলোক কলা নে খুৰ [illegible]নে কি।

ইমানৰ কথা মই সিমানত থওঁ। [illegible] শালীৰ গীত আৰু দুটা গাওঁ।

শিৱসাগৰ ৪।১।৩৬

---

শ্ৰীযুক্ত মেধীৰ ৰচিত “ওজা-ভাৰৰীয়া” প্ৰবন্ধ পাঠনীয়, “সুৰভি” ১৮৬৮ শক,

# নিংনি ভাউৰাৰ কথা।

"ডাকৰ বচন বেদৰ বাণী" — এই বাক্য অসমীয়া মানুহৰ মুখে মুখে শুনা যায়। অসম ভূমিত বেদ-বাণী প্ৰচাৰ কৰোঁতা ডাক পুৰুষৰ বৰপেটা নগৰৰ ওচৰত থকা লেহী-ডঙৰা গাৱঁত জন্ম হৈছিল। ডঙৰা গাৱঁৰ এতিয়া চিন মোকাম নাই; লেহী গাৱঁৰ নাম মাত্ৰ আছে। আজি-কালিও মানুহে গায় —

"লেহী-ডঙৰা ডাকৰ গাওঁ
তিনিশ ষাঠিটা পুখুৰী নাউ॥
লেহীৰ তিৰী পঞ্চ ৰাগ জানে
বাৰিষাৰ ম'হে বিনা শিঙে হানে॥"

ডাক অসমীয়া ভাষাৰ আদি যুগৰ প্ৰথম কবি। মহাপুৰুষ শঙ্কৰ দেৱৰো বহুত বছৰ আগেয়ে তেওঁৰ জন্ম হয়। আমাৰ ভাষাত "ডাক পুৰুষৰ বচন" নামৰ পুথিখন পঢ়িব লগীয়া। ডাক পুৰুষৰ সম্পৰ্কে জানিব লগীয়া আৰু বহুত কথা আছে।

এই প্ৰবন্ধত বৰপেটাৰ বিখ্যাত নিংনি ভাৱৰীয়াৰ কথা চমুকৈ কম। মই নিজে নিংনি ভাৱৰীয়াক দেখানাই; সেইবাবে ইয়াৰ কথাখিনি লোকৰ মুখৰপৰা শুনি লিখা হৈছে। আমি বৰনগৰৰ কবি লক্ষী ভাৱৰীয়া, সুন্দৰী দিয়া সত্ৰৰ গৌৰী ভাৱৰীয়াক বং ধেমালিৰে কথা কোৱা আৰু ফকৰা আদি গোৱা শুনিছোঁ। ভাৱৰীয়াৰ নাম শুনিলেই সৰু সৰু লৰা ছোৱালীৰ মনত আনন্দই নধৰা হয়।

ভাৰৰীয়া সকলৰ বস্তু পৰ্য্যবেক্ষণ শক্তি বৰ প্ৰখৰ। এটা বস্তু আমাৰ চকুৰ অগত এবছৰ কাল থাকিলেও হয়তো আমি তাৰ বিষয়ে একোকে কব নোৱাৰিব পাৰোঁ; কিন্তু ভাল ভাৰৰীয়াই সেই বস্তুটো দেখা মাত্ৰকে এক মুহূৰ্ত্তৰ ভিতৰতে তাৰ হুবহু বৰ্ণনা এটা দিব পাৰে, অকল ভাল এটা বৰ্ণনা দিব পাৰিলেই ভাল ভাৰৰীয়া হব নোৱাৰে। তাত গভীৰ ভাৱ, উপস্থিত বুদ্ধি, আনৰ প্ৰাণৰ কথা কব পৰা শক্তি আৰু কোৱা কথাত মধুৰ ৰস থাকিব লাগে। জীৱনত সুখ শান্তি কামনা কৰা সকলো লোকেই এইবোৰ গুণৰ অধিকাৰী হবলৈ অহোপুৰুষাৰ্থ কৰা উচিত।

নিংনি ভাৰৰীয়া নিৰক্ষৰ আছিল। তেওঁৰ বংশৰ মানুহ এতিয়াও বৰপেটাত আছে। তেওঁ গৰ্ডন চাহাবৰ লগত কল্পিত ইংৰাজী কোৱা শুনি মানুহে হাঁহি সামৰিব পৰা নাছিল। শুনিবলৈ পাইছো, সত্ৰত হোৱা "কৃষ্ণলীলা" ভাওনাত নিংনি ভাৰৰীয়াই গোপিনীৰ ভাও লৈছিল তেওঁ বৰ ভালকৈ নাচিব জানিছিল।তেওঁৰ এজন পালীৰ নাম " খৈলাহ " আছিল।

গোপাল ভাৰৰীয়াৰ বিষয় যিবিলাক ধেমেলীয়া কথা মানুহৰ মুখে মুখে চলি আছে, নিংনি ভাৰৰীয়াৰ কথাবোৰ তাতকৈ কোনো গুণে তলখাপৰ নহয়। জনালোকে সেইবোৰ নিখুঁত ভাৱে সংগ্ৰহ কৰি প্ৰকাশ কৰিব বুলি আশা কৰিলো। ইয়াত দুটা কথা প্ৰকাশ কৰা হ'ল;

আগেয়ে বৰপেটা অঞ্চলৰ মানুহে খেল নাৱেৰে গৈ হাবিৰপৰা পহু মাৰি আনিছিল। তেতিয়া বন্দুকৰ সিমান প্ৰচলন নথকাত জাঠি

থাপৰ আদিয়েই চিকাৰৰ অস্ত্ৰ আছিল। কেৰাজনো মানুহে মিলি নাও-খেলোৱা নাম গাই গাই পহু চিকাৰলৈ গৈছিল। নকৈ পানী বা ঢ় অহা কালটোৱেই চিকাৰৰ উপযুক্ত সময়। এতিয়া এই ৰকমৰ চিকাৰ প্ৰায় নাইকিয়া যেন হৈছে।

কোনো মানুহে মাৰি আনি এদিন বৰপেটা সত্ৰৰ কীৰ্ত্তন ঘৰত এটা পহু দিছিল। পহুটো বাছি-কাটি ভগোৱাৰ সময়ত এজন ভকতে খণ্ডতে হঠাৎ তাক "মৰা গৰু" বুলিলে। তেনে কুবাক্য বোলা বাবে আন ভকতসকলৰ ভিতৰত পহুটো অপবিত্ৰ হোৱা বুলি তৰ্ক-বিতৰ্ক হ'ল। শেহত সকলোৱে মিলি খণ্ডতে কুবাক্য বোলা ভকত জনক অৰ্থ দণ্ড কৰিলে। এনেতে ঘটনা স্থলত নিংনি ভাৰৰীয়া গৈ উপস্থিত। ভকত জনক দণ্ড কৰা দেখি তেওঁ আন ভকত সকলক কলে —"এজন মানুহে মৰা পহুটোক মৰা গৰু বোলোতেই যদি সি প্ৰকৃততে 'মৰা গৰু'হৈ পৰে, তেন্তে ময়ো তাক 'জীয়া পহু' বুলিছো।" এই বুলি কৈ তেওঁ হাতেৰে পহুটো লৰাচৰা কৰিব ধৰিলে, "কত ? মোৰ কথাই দেখোন পহুটো জীয়াব নোৱাৰে। সি দেখোন যি মৰা পহু, সেই একে মৰা পহু হৈয়েই আছে।

ভাৰৰীয়াৰ কথা শুনি ভকত সকল নিমাত। ইজন ভকতে দণ্ডৰ পৰা ৰেহাই পালে।

এদিন ভাৰৰীয়াৰ চুবুৰিৰ মানুহে এটা পহু মাৰিছিল। চুবুৰিৰ প্ৰায়বোৰেই পহুৰ মঙহৰ ভাগ পালে; কিন্তু কি কথা কব নোৱাৰোঁ সিদিনা ভাৰৰীয়াক কোনেও অলপো পহুৰ মঙহ নিদিলে।

তাকে দেখি তেওঁ গধূলি মানুহে বন্ধা-বঢ়া কৰিনৰ সময়ত তেওঁৰ সক ছোৱালী জনী মৰা বুলি কান্দিবলৈ লগাই দিলে। তেওঁ নিজেও হিয়া ঢাকুৰি কান্দিলে আৰু আন মানুহক কলে যে ছোৱালী জনী সামান্য জ্বৰতে মূৰত তেজ উঠি মৰিল।

অলপ পৰৰ পিছত তেওঁ ছোৱালী জনী কান্ধত কৰি লৈ ন-খান্দানৈৰপাৰৰ মৰাশালিলৈ লৈ গ'ল। হঠাৎ তেনে অঘটন ঘটাত ভাৱৰীয়াৰ বংশৰ সকলো মানুহেই বন্ধা-বঢ়া ভাত-আঞ্জা আদি পেলাব লগীয়া হ'ল। অলপ ৰাতি হোৱাত নিজৰ উদ্দেশ্য সিদ্ধ হোৱা যেন পাই ছোৱালী-জনী লৈ তেওঁ ঘৰলৈ ঘূৰি আহিল। ছোৱালী-জনী আকৌ জীয়া দেখি সকলো মানুহে আচৰিত হৈ কথাটোনো কি সুধিলে।

ভাৱৰীয়াই উত্তৰ দিলে, "ৰাতি খালে আটি যায়, লুকাই খালে ঢুকাই যায়। এই পৱিত্ৰ ভাৱটি নাথাকিলে সমাজত একতা নাথাকে। আমাৰ চুবুৰিত তাৰে অভাৱ হোৱা বাবেহে এই কামটো কৰা হ'ল।"

শেহত সকলোৱে নিজৰ ভুলটো বুজি পালে।

(পাবিজাত — জেঠ, ১৮৫৬ শক)

# আজিৰ কাম আজি

ই বহু দিনৰ কথা কব নোৱাৰি, কিন্তু কব পাৰি যে ই বহু দিনীয়া কথা।

সুন্দৰীদিয়া আৰু বাবাদিৰ মাজৰ চিল্লাৰ মুখত এজন জালোৱাই জাল পাতিছিল। এদিন তাৰ জালত এটা সৰু লেটা মাছ লাগিল। জালোৱা জনে মাছটো ধৰাত মাছটোৱে নম্র ভাৱে কলে, "জালোৱা ভাই, মই এতিয়া নিচেই সৰুহে আছো, মোৰ গাত তেলো হোৱা নাই। তুমি মোক আজি ধৰি নি বজাৰত বেচিলে চাৰি পইচা মানতকৈ বেচি দামো নাপাবা। মোৰ পৰা তোমাৰ আজি একো লাভ নহব। তুমি মোক আজি এৰি দিয়া। অহা বছৰত মই ডাঙৰ হৈ বাঘ-বৰালী হম। তেতিয়ালৈকে মই ইয়াতেই থাকিম। তেতিয়া তুমি মোক ধৰি নি বেচিলে পাঁচ টকাতকৈও বেচি দাম পাবা। মই তোমাৰ হাতত বন্দী, তুমি যি ইচ্ছা তাকে কৰিব পাবা, কিন্তু মই তোমাৰ লাভৰ কাৰণেহে খাটিছো,—আজি মোক এৰি দিয়া।

জালোৱাজনে ভবিষ্যতৰ লাভলৈ বৰকৈ ভাবি নিজৰ হাতৰ মাছটো এৰি দিলে।

"মই হলে আজিৰ কাম আজিয়েই কৰিম। তুমি আজিৰ কাম ভবিষ্যতলৈ থৈ দিবা"—মাছটোৱে মুকলিহৈ এইদৰেকৈ নৈৰ কুৰৰকালে কোব ললে। ইতি

পুতুলাৰ টাৰী

২৫ | ৬ | ৪৬

---

চিল্লাৰ মুখ = "গুৰু চৰিতত" এই ঠাইৰ নাম উল্লেখ আছে।

লেতামাছ = বৰালীৰ ছানা।

# ধন লোভী বুঢ়া আৰু সোণৰ কোমোৰা

বৰপেটা নগৰৰ ওচৰত 'ধান-বান্ধা গছৰ তল' নামৰ এডোখৰ পুৰণি ঠাই আছে। চাউখোৱা নৈৰ পৰা তালৈ বেচি দূৰ নহয়। মানৰ অত্যাচাৰৰ ভয়ত বোলে তলৈ কিছুমান মানুহে পলাই গৈ তাত আশ্ৰয় লৈ আছিল। সেই গছৰ তলতেই মানুহে ধান বান্ধি খাইছিল। সেই কাৰণেই বোধ হয় আজি কালিও তাক 'ধান-বান্ধা গছৰ তল' বোলে। পৃথিবীৰ প্ৰায় সকলো ঠাইৰেই এনেকুৱা বুৰঞ্জী আছে।

এই ধান-বান্ধা গছৰ তলৰ ওচৰৰ এখন গাৱঁত মমতৰাম নামৰ এজন বুঢ়া আছিল। বুঢ়াৰ সাত জন পুতেক, বোৱাৰীয়েকে সাতজনী বুঢ়া বৰ কৃপণ আৰু বুদ্ধিমান।

এদিন বুঢ়া ঘৰত নথকাত বোৱাৰীয়েক হঁতে গাখীৰৰ পিঠা আতালে। পিঠা আতোৱা বিষয়ে পুতেক হঁতেও গম পোৱা নাছিল। পুতেক হঁতে পথাৰৰ পৰা আহি বাপেকৰ ভয়ত এখনো পিঠা নাখাই ভালকৈ ঢাকি থবলৈ কলে। কাৰণ সিহঁতে বাপেকৰ মনত আঘাত লগা কাম কৰি মুঠেই ভাল নাপাইছিল।

বুঢ়াই গাওঁ ফুৰি আহি দেখে যে, বোৱাৰীয়েক হঁতে গাখীৰ খৰছ কৰি পিঠা আতাইছে। কথা-কাণ্ড দেখি তাৰ খঙে চুলিৰ আগ পালে গৈ। "বেটীহত, মই সাত পুৰুষত গাখীৰৰ পিঠা খোৱা নাই; তহতে মোৰ গাখীৰ সাং কৰি মোক থাথা কৰিবলৈ আহিছ;"—

বুলি কৈ বুঢ়াই ভজা পিঠাবোৰ ওচৰৰ পুখুৰীত পেলাই দিয়ালেগৈ।

বোৱাৰী বুলিলেই মহৰিৰ তলৰ মহ। তাইঁহতে মনৰ লোভ মনতে মাৰ নিয়াই না-না একোকে নকৈ নমতাকৈ থাকিল।

সেই পুখুৰীত সাতোটা ভূত আৰু এজনী ভূতুনী আছিল। ভূতুনীজনী সিইঁতৰ ভনীয়েক। সিইঁতে পিঠাবোৰ বৰ আগ্ৰহেৰে খালে। ভূতুনী জনীয়ে ককায়েকইঁতক কলে— "মমত বাম বুঢ়াৰ বোৱাৰীয়েকইঁতে বৰ ভালকৈ পিঠা আভাৰ জানে। তোমালোকে আজি নিশা বুঢ়াক এইদৰে সপোন দেখুৱাবা, যাতে আমাক বোৱাৰীৰ পিঠা আৰু সাত ভাৰমান দিয়ে। তাৰ লৰচৰ হলে ভটিয়ে-মাটিয়ে খুন্দিবা বুলি ভয় দেখুৱাবা।" ভনীয়েক জনীক সিহঁতে বৰ মৰম কৰিছিল। তাইৰ কথা মতেই সিইঁতে বুঢ়াক সপোন দেখুৱালে।

ৰাতি সপোন দেখি বুঢ়াই ভয়তে ৰাতি পুৱাবে পৰাই বোৱাৰীয়েকইঁতক পিঠা আভাৰলৈ দিলে। বুঢ়াই কিয়নো সিমানবোৰ পিঠা আভাৰ দিছে, পুতেক-বোৱাৰীয়েক কোনেও একোকে কব নোৱাৰে; সিইঁতে মাত্ৰ বুঢ়াৰ আদেশ মতে কাম কৰিগৈছে।

সন্ধ্যা সময়ত সাত ভাৰ পিঠা ভৰাই পুতেকইঁতৰ হতুৱাই সেইবোৰ পুখুৰীত বগৰাই দিয়ালেগৈ। পিঠা খাবলৈ পাই ভূতুনীজনীয়ে ককায়েকইঁতক কলে— "বুঢ়াই আমাৰ কাৰণে বৰ কষ্ট কৰিছে; তাক আমাৰ কিছু টকা দিয়া ভাল।"

ভনীয়েকৰ কথা মতেই সিহঁতে বুঢ়াক সাত ভাৰ চিকা টকা দিলে ।

বুঢ়াই নিজৰ টকা বিলাকৌ আগতে পাট-নাদ এটাত পুতি থৈছিল। সি ধন চিনি পায়; অবাবত এটা পইচাও খৰচ নকৰে। ভূতৰ পৰা পোৱা টকা-বিলাকো সি আনি আগৰ টকাৰ ওপৰতেই থৈ দিলে। ভূতৰ ধন হৈছে দেও-ধন। ওপৰত পৰাত আগৰ সকলো ধনেই তললৈ বহি গল। বুঢ়াৰ ধন হেৰাল।

বুঢ়াই দেখিশুনি বুজিপালে যে বাপৰ ধনেও নাটে, পাপৰ ধনেও নাটে। তথাপি সি ধনৰ লোভ এৰিব নোৱাৰিলে। সি এদিন পুতেক হঁতক কলে— "বোপাহঁত, তহঁতে মোক এটা পেৰাত ভৰাই গাওঁ গাওঁ বেচিবলৈ লৈ বল। দাম সুধিলে মোৰ দাম দহ হেজাৰ বুলি কবি। কোনো জনে যদি সোধে, তেন্তে মই ভূত-ভবিষ্যৎ জনা বুলিও কবি। তহঁতে বহুল ভাবে একোকে কব নালাগে মই সকলো কম।

বুঢ়াৰ কথা মতেই পুতেকহঁতে কাম কৰিলে।

পুতেকহঁতে বুঢ়াক পেৰাত ভৰাই লৈ গাওঁ গাওঁ ঘূৰি ফুৰিব ধৰিলে। পুতেকে বুঢ়াবাপেকক বেচা কাণ্ড-কাৰখানা দেখি মানুহে আচৰিত হয়! তাতে আকৌ কোনো কামত নহা বুঢ়া মানুহ এজনৰ দাম নগদ দহ হেজাৰ টকা।

সিহঁত গৈ ৰজাৰ ওচৰ পালে। ৰজাই বুঢ়াৰ কিবা বিশেষ গুণ থকা বুলি ভাবি দহ হেজাৰ টকা দি বুঢ়াক ৰাখি

গলে ৰজাৰ ঘৰত বুঢ়াৰ দাড়ি-গোফ খুৰাই দিলে, চেহেৰা ভাল হল।

এদিনাখন সেই ৰজাৰ ওচৰলৈ এজন সাউদে এটা সোণৰ কোমোৰা বেচিবলৈ আনিলে। তাৰ দাম একলাখ টকা। ওপৰত চিত্ৰ বিচিত্ৰ ফুল। ৰজাই কোমোৰাটো লবলৈ ঠিক কৰিলে। এই সময়তে বুঢ়াই কোমোৰাটো হাতত লৈ ভালকৈ চালে। সি সাউদৰ ফাঁকি ধৰি পেলালে। বুঢ়াই সাউদৰ আগতে কোমোৰাটো এখন ধাৰাল দাৰে ডুছেও কৰি কাটি পেলালে। সি আচলতে সোণৰ কোমোৰা নহয়। গছৰ কোমোৰাকেই সুন্দৰকৈ সোণবৰণীয়া কৰি লৈ আহিছিল।

ফাঁকি দিয়া বাবে ৰজাই সাউদক দুশ টকা জৰিমানা কৰিলে; আৰু বুঢাৰ কামত সন্তুষ্ট হৈ তাক আকৌ দহহেজাৰ টকা পুৰস্কাৰ দি বিদায় দিলে। ইতি—

সুন্দৰীদিয়া সত্ৰ
২।৭।৩৯ইং

# সাঁথৰৰ সাধু

এসময়ত মঙ্গলদৈ নগৰৰ ওচৰৰ গাওঁ এখনত কলিমন নামৰ এজন অঘাইতং চোৰ আছিল। সি চুৰিকৰি মাজে সময়ে ধৰা পৰি ৰজা-ঘৰ আৰু সমাজৰ পৰা যে কত শাস্তি

পায়, তাৰ ইয়ত্তা নাই ; গহীন চোৰ আৰু ভোলা চোৰৰ দৰে এই কলিমন চোৰবো চোৰৰ বুৰঞ্জীত ভাল নাম আছে। বুঢ়া হল, তথাপি কলিমনে —— 'চোৰে নেৰে চোৰ প্ৰকৃতি সহায় নেৰে সৰ'— এই কু অভ্যাস এৰিব নোৱাৰিলে। কলিমনৰ নাম শুনিলেই সেই অঞ্চলৰ দুখী-সুখী সকলোৰে ভয়ত ভগৰস্ত কঁপে। তাৰ কাৰণেই ৰাতি ৰাতি টোপনি নাহে।

সুমথিৰা টেঙা খাই যেনেকৈ ভাল লাগে, সেইদৰে তাৰ বাৰীও চাবলগীয়া বস্তু। সুমথিৰা টেঙাবোৰ যেতিয়া কিছুমান পকিব কিছুমান আধাপকা হব আৰু কিছুমান নপকাকৈ থাকিব, তেতিয়া সেই দৃশ্যটো অতিশয় মনোৰম হৈ পৰে ; যি জনে এদিন মানৰ কাৰণেও তেনেকুৱা বাৰীত সোমাইছে, সি তাক কোনো-মতেই পাহৰিব নোৱাৰে। মানুহে মন কৰিলে পৰমেশ্বৰৰ সৃষ্টিৰ সকলো বস্তুৰ পৰাই নিতৌ ন-ন কথা শিকিব পাৰে। তাৰ লাগে মাথো ধাউতি।

এদিন পুহমহীয়া আউসী নিশা। কলিমনে এঘৰ মানুহৰ পকিথকা সুমথিৰা টেঙাৰ বাৰীত সোমাবলৈ গল। বাৰীত সোমাবলৈ যোৱা বাটত সি এজন মানুহ লগ পালে। দুই মানুহ জনে তাৰ কথা গিৰীহঁতৰ আগত কৈ দিব বুলি ভাবি, সি মানুহজনক কলে " ভাই, মই সুমথিৰা টেঙাৰ বাৰীৰ পৰা যিমান টেঙা আনিম, তাক একে বাৰে সমান ভাগ কৰি এভাগ তোমাক দিম ; কিন্তু তোমাৰ ভাগৰ পৰা ন স্বৰূপে মই মাথো এটা টেঙা খুৱাই লম, তুমি একো

বেয়া নাপাবা। এইখন বাৰীত মই কিছুমান চাবি খোৱা ভাল টেঙা আছে। মই মোৰ কথা কেতিয়াও নেৰোঁ, মাথোঁ তুমি মোৰ এই কথা কাৰো আগত নকবা। মনত ৰাখিবা— সত্য এৰা মহা পাপ"।

কলিমনে তাৰ লগত সেইদৰে বন্দৱস্ত কৰি অলপ দূৰ গৈ আকৌ এজন মানুহক লগ পালে। তাৰ লগতো সেই একে বন্দৱস্তই হল,—লগত অনা সুমথিৰাৰ আধাদি সি মান স্বৰূপে তাৰপৰা মাথোঁ এটা টেঙা ঘূৰাই লব।

ৰখীয়া দুজনক এৰি থৈ সি বাৰীত সোমাল গৈ। সিহঁতে কলিমনৰ পৰা টেঙা পাবৰ আশা কৰি বৈ থাকিল। সি বাৰীত সোমাই হেপাহ পলুৱাই টেঙা খালে।

কিছু সময়ৰ পাচত কলিমনে টেঙা লৈ ওলাই আহিল। চোৰ হলেও সি এই বিষয়ত এক কথাৰ মানুহ। টেঙাৰ বাৰীৰ পৰা ওলাই আহি সি প্ৰথমতে যি জন মানুহক লগ পালে, তাক সৰ্ব্বমুঠ টেঙাৰ পৰা আধা টেঙা দি তাৰপৰা সি নিজে এটা টেঙা ললে। তাৰ পাচত দ্বিতীয় জনকো লগ পাই সেইদৰে দিলে আৰু ললে। কিন্তু দুখৰ বিষয় যে, বন্দৱস্ত মতেই ৰখীয়াইতে এটা টেঙাও নাপালে। সিহঁতৰ মনৰ আশা মনতেই মাৰ গল।

কলিমনে প্ৰথমতে বাৰীৰপৰা কিমান টেঙা লৈ আহিছিল বাক?

---

মন্তব্য :—কলিমনে প্ৰথমতে বাৰীৰপৰা মাত্ৰ দুটা টেঙাহে লৈ আহিছিল। দুইৰ আধা এক, সি প্ৰতি জনকেই একোটাকৈ

টেঙা দি আকৌ তাকেই ঘূৰাই লয়। তেনেস্থলত ৰথীয়াইঁতে ক'ত টেঙা খাবলৈ পাব ? ইয়াকে কয় – কাঠে কাঠে পৰা, যেনে কুকুৰ তেনে টাঙোন। ইতি —

গোলাঘাট ৬৷১ ৩৯ ইং

ৰবনগৰৰ বিখ্যাত বৰুৱাৰ ঘৰত বিয়া। সেই সময়ত তেখেত সকলৰ গোটেই দেশতে ৰজাৰ দৰে সুনাম সুখ্যাতি আছিল। তালৈ অসংখ্য লোকৰ সমাগম হৈছে। খোৱাই খাইছে, গীত-পদ গোৱাই গীত-পদ গাইছে আৰু অলপ দূৰত মাল সকলে মাল-যুজ কৰিছে। কইনা যোগীৰ পামৰ ওচৰত।

বিয়াৰ বাদ্য হিচাবে ৰবনগৰীয়া ঢুলীয়াৰ ভাল নাম আছিল। দুখৰ বিষয়, এতিয়া আমাৰ ইয়াত সেই বাদ্যৰ ঠাই বিদেশীয়ে ললেহি।

বাজ আলিয়েদি ঢোল-খোল বজাই সমদলে বৰ আহিছে। বিয়াৰ বৰ চালে দিনটোৰ পাপ ক্ষয় হয়, এই ভাব মনত লৈ অনেক বাহিৰা মানুহেও বৰ যাত্ৰীৰ লগত যোগ দিলেহি।

সেই বাটত কেছু একখৰা পৰি আছিল। তাক পৰি থকা দেখা পাই কেঁকোবা এটাই কলে—

হাবা নহ ভাই আহা বাটে,
চত্‌কি মাৰ্‌বো বাজাৰ ঠাঠে।

হাড়া নহ—কেছু। ঠাঠে—মানুহে, সমদলে।

কেচুৱাই কলে—

মাঠা নহয় ভাই শুন্‌লি ক'ত !

কেঁকোৰাই কলে—

ধাতু নহয় ভাই কলাক মোক ।

ওচৰতে ঢোলৰ কোব শুনি কেচু-কেঁকোৰা দুয়ো আতৰি গল । ইতি

শ্ৰীমান শশী মোহন দাস
আমবাৰী হাটী স্কুল । ১৭।৬।৪৬ইং

# বুঢ়ীৰ প্ৰশ্ন ।

"লেহী-ডঙৰা ডাকৰ গাওঁ ।
তিনি শ ষাঠিটা পুখুৰীৰ নাও"

এই লেহী-ডঙৰা গাওঁ বৰপেটা নগৰৰ দক্ষিণে আছিল। এতিয়া মাথোঁ তাত লেহী নামৰ এখন সৰু গাওঁ আছে । এই গাৱঁতেই মহা কবি ডাক পুৰুষৰ জন্ম হৈছিল । লেহী-ডঙৰাৰ ওচৰত গাৰলা, চাচৰা, নিবলা, কুনৰা, পোমাৰা, দিগিৰপাৰ, মাণিকপুৰ আৰু ধৰ্ম্মপুৰ আদি গাওঁ আছিল । ১৮৯৭ খৃষ্টাব্দৰ ১২ জুন শনিবাৰে হোৱা প্ৰবল ভূমিকম্পই এই অঞ্চলৰ যথেষ্ট ক্ষতি কৰিছে ।

---

মাঠা নহয়—কেঁকোৰা । ধাতু নহয়—ঢোল ।

এ সময়ত লেহী বৰ বিখ্যাত ঠাই আছিল। তাৰ মানুহে ধন আৰু বিদ্যাৰ মোল বুজি পাই সদায় একান্ত ভাবে নিজৰ কৰ্ত্তব্য কাম কৰিছিল। লেহীত স্ত্ৰী শিক্ষাৰো প্ৰচাৰ হৈছিল সেই সময়ত ভাৰতৰ বিদ্বান সমাজৰো এই লেহীৰ ওপৰত দৃষ্টি পৰিছিল।

এই গাৰ্ঁতেই তাহানি সুমিত্ৰা নামৰ এগৰাকী বুঢ়ীয়ে তেওঁৰ নাতিয়েক হঁতক কেনেকৈ শিক্ষা দিছিল তাকে কওঁ,—শুনা। বুঢ়ীয়ে পঢ়িব নাজানিছিল যদিও তেওঁ সংসাৰত দেখি-শুনি অনেক কথা শিকিছিল। বুঢ়ীৰ মনটি বৰ উদাৰ। বুঢ়া কাললৈকে তেওঁৰ শিক্ষা আৰু জ্ঞান লাভ কৰিবলৈ হেপাহ কমা নাই। সৰু সৰু লৰা ছোৱালীৰ পৰাও বুঢ়ীয়ে অনেক কথা শিকে। গাওঁত কিবা হাই কাজিয়া হলে সুমিত্ৰা বুঢ়ীহে তাৰ সু-মিমাংসা কৰিব পাৰিছিল। কাজিয়া মাৰিবৰ পৰত বুঢ়ীয়ে কাৰো পৰা নলয়—সজ বিচাৰ কৰে।

বুঢ়ীয়ে আজৰি পৰত তেওঁৰ নাতি-পুতি সকলোকে ওচৰত বহুৱাই লৈ ৰাম-লক্ষণ, কৃষ্ণ-বলোৰাম, ভীম-হনুমান, জাম্বুবান, যুধিষ্ঠিৰ ভীম-অৰ্জ্জুন, ধ্ৰুৱ-প্ৰহলাদ আৰু একলব্য আদিৰ আখ্যান কয়, ভাল ভাল সাধু কয়, সাঁথৰ দিয়ে আৰু আকাশ-পাতাল সাগৰ-পৰ্ব্বত আদি ঘূৰি ফুৰা কাহিনী কয়। বুঢ়ীয়ে কিন্তু ভূত-পিশাচ, শিয়াল-হাপাৰ কথা আৰু পকৰাই পোৱা কথা সমূলি নকয়। তেনে কৰিলে সৰুৰে পৰা শিশুৰ মনত ভয় থাকলে বাহ লয়। বুঢ়ীৰ সাধু শুনিলে মনত ভক্তি, সাহ, শিক্ষা আৰু

দয়া মৰম হয়। সেই বাবে তেওঁৰ সাধু চুবুৰিৰ সকলোৱে মনোযোগেৰে শুনে।

বুঢ়ীৰ নাতিয়েক ভগৱন্তৰ দত্ত পাচুঁটি। তেওঁলোকৰ নাম — অৰুণ, অনন্ত, অৰবিন্দ, অভয় আৰু অমূল্য আমাৰ প্ৰত্যেকৰে প্ৰত্যেক হাতত পাঁচুটিকৈ আঙুলি আছে। পাণ্ডৱো পাঁচ জনা। এইদৰে পাঁচ সংখ্যাৰ আৰু যে কি কি আছে?

বুঢ়ীৰ বাওঁ হাতৰ কেঁএঙা আঙুলিটো যেনিবা তেওঁৰ সৰু নাতিয়েক অৰুণ; আঙঠি পিন্ধাটো তাৰ ওপৰৰ জন অনন্ত; মাজৰটো যেনিবা অৰবিন্দ; বাট দেখুওৱাটো যেনিবা অভয় আৰু বুঢ়াটো যেনিবা অমূল্য। এইদৰে বয়স মতে বুঢ়ীয়ে পাঁচো জন নাতিয়েকক নিজৰ হাতৰ আঙুলি কেইটা ভগাই দিলে। সিহঁতেও কথাটো বুজি ললে।

আবুৰেকে নো আজি কি নতুন সাধু-কথা কয়, তাকেহে সকলোৱে বৰ আগ্ৰহেৰে চাই আছে। পিচত বুঢ়ীয়ে নিজৰ সোঁহাতেৰে বাওঁ হাতৰ কেঁএঙা-আঙুলিৰ ফালৰপৰা ধৰি ধৰি কবলৈ ধৰিলে — "এইটোৱে (কেঁএঙা আঙুলি) বোলে ভোক লাগিছে, এইটোৱে (আঙঠি পিন্ধা) বোলে পাবি ক'ত? এইটোৱে (মাজৰটো) বোলে ধাৰ কৰি আন খাওঁ, ধৰাই নিলে আগে আগে যাওঁ। এইটোৱে (বাট দেখুৱাটো) শুজিবি ক'ৰ পৰা? এইটোৱে বোলে (বুঢ়াটো) খাই দাই পলাওঁ, খাই দাই পলাওঁ"

সকলোৱে বুঢ়ীৰ হাতলৈ ৰ লাগি চাই থাকিল, কোনো জনেই একোকে কব নোৱাৰিলে।

বুঢ়ীয়ে পিচত নাতিয়েকইতক কলে—"মোপাইত, তঁইতৰ বন্ধু পাঁচ আঙুলিয়ে পাঁচ ৰকমে নিজৰ মনৰ ভাব ইয়াত প্ৰকাশ কৰিলে। চা-চোন, সক কেঁঞা আঙুলিটি ভোকত অস্থিৰ হৈছে। এতিয়া তইঁতৰ মনেৰে কাৰ কথা শুদ্ধ আৰু ভাল হৈছে যুক্তি মতে মোক বুজাই দিব লাগে। মই বুঢ়ী মানুহ; তইঁতে মোক নিশিকালে-নুবুজালে কোনে বুজাব? যেয়ে ভালকৈ বুজাব পাৰিবি, তাকেই তিল-পিঠা আৰু মাটি-কঠাল খাবলৈ দিম। এই সুবিধা নেৰিবি।"

খোৱা বস্তুৰ নাম শুনি পাঁচোজন নাতিয়েকে পাঁচ ৰকমে নিজৰ মনৰ ভাব প্ৰকাশ কৰিলে। তেওঁলোকে কোনেও কাৰো ওপৰত খং নকৰাকৈ তৰ্ক-বিতৰ্ক কৰিলে; কাৰো প্ৰতি কাৰো তিলমানো হিংসা নাই, বুঢ়ীয়ে তেওঁলোকক সেইদৰেই শিক্ষা দিছে।

নাতিয়েক কেইজন সক লৰা তেওঁলোকৰ তৰ্কত বুঢ়ী সন্তুষ্ট নহল। সেই কাৰণে সুমিত্ৰা বুঢ়ীৰ আদেশ মতে এই তৰ্ক মূলক প্ৰশ্নটো ইয়াত প্ৰকাশ কৰিলে; কাৰণ বয়সীয়া মানুহৰ কথা শুনিব লাগে। আঙুলি পাঁচটাৰ ভিতৰত নো কাৰ ভাবটো শুদ্ধ, তাক পাঠক-পাঠিকা সকলে নিখুঁত ভাবে বুজাই দিব লাগে।

বুঢ়ীয়ে তাৰ লগতে আৰু এই প্ৰশ্নটোও দিছে—

"কলো ( উৰহি ) মোৰ মাটিত,
ৰগাল ভাব টাটীত।

---

টাটী—ডাঠ বেৰা, চকোৰা।

মাটিৰ গিৰীইঁতে পাৰ
নে টাটীৰ গিৰীইঁতে পাৰ ?”

যেয়ে শুকক উত্তৰ দিব পাৰিব, তাকেই বুঢ়ীয়ে স্বৰ্গৰ পৰা আশীৰ্ব্বাদ দিব। ইতি—

গোলাঘাট, ৩৩৩৭

---

# নিজৰ মৰণ চিন্তা।

কোনো এখন ৰাজ্যত মতিলাল সিংহ নামৰ এজনা ৰজা আছিল। ৰজাৰ অতুল ঐশ্বৰ্য্য-সম্পত্তি। কিন্তু ঈশ্বৰৰ কি ইচ্ছা,—ৰজাক ক্ষয় ৰোগে আক্ৰমণ কৰিলে; তেওঁ দিনক দিনে খীণাই যাবলৈ ধৰিলে। তেনে হোৱা দেখি ৰাজ-ভৱনত কাৰো মনত সুখ-শান্তি নাইকিয়া হল।

এদিনাখন ৰজাৰ সম্মুখত প্ৰফুল্ল নামৰ এজন সন্ন্যাসী উপস্থিত হ'লহি। সন্ন্যাসীয়ে ৰজাৰ বা-বাতৰি লোৱাত ৰজাই বৰ দুখেৰে সকলো কথাকেই বিৱৰি কলে। ৰজাৰ কথা শুনি তেওঁ কলে—“মহাৰাজ, আপুনি আৰু একোকে চিন্তা নকৰিব। ঈশ্বৰে কৃপা কৰিলে আপোনাৰ বেমাৰ নিৰ্ম্মূল হব।” সেই দিনাখন সেইদৰে কৈ সন্ন্যাসী গুচি গল।

পিচ দিনাখন সন্ন্যাসীয়ে কিছু ঔষধ লৈ আহি ৰজাৰ আগত-উপস্থিত হল। সন্ন্যাসীয়ে নিজ-হাতে ৰজাক ঔষধ খুৱালে

আৰু তেওঁ নিজেও বজাই খোৱা পৰিমাণৰ প্ৰায় দুগুণ ঔষধ খালে।

এইদৰে সন্ন্যাসীয়ে নিতৌ পুৰা পুৰা আহি প্ৰায় পোন্ধৰ দিন মান ৰজাক ঔষধ খুৱালে; কিন্তু ৰজাক খুওৱাৰ পাচত তেওঁ আগৰ দৰেই দুগুণ প'ৰিমাণৰ ঔষধ খায়।

সন্ন্যাসীৰ চিকিৎসাত ৰজাৰ বেমাৰ গুচিল। ৰজা আকৌ আগৰ দৰেই শ্ৰীমন্ত আৰু ৰূপৱন্ত হৈ পৰিল।

ইয়াৰ পিচত ৰজাৰ আকৌ ভাৱৰ পৰিবৰ্ত্তন হল। তাকেহে কওঁ।—

ৰজাই সন্ন্যাসীক কলে—"প্ৰভু, আপোনাৰ অনুগ্ৰহত মোৰ দেহৰ বেমাৰ ভাল হল হয়, কিন্তু এতিয়া আকৌ মোৰ নতুনকৈ এটা মনৰ বেমাৰ হল। বেমাৰ নে ডাঙৰ বেমাৰ। এই নতুন বেমাৰেহে মোক মাৰিব যেন পাওঁ। এতিয়া মোৰ মনলৈ না-না কু-চিন্তা আহে, পৰৰ বস্তুলৈ লোভ হয়, আনৰ ভাল হোৱা দেখিলে মনত বৰ বেজাৰ হয় আৰু লোকৰ অপকাৰ কৰিবলৈ বৰ মন যায়। মোৰ মই বেমাৰ কেনেকৈ নাইকিয়া কৰিব পৰা হয়, তাকেহে মই ভাবি-চিন্তি পোৱা নাই। আপোনাৰ আগত মই মোৰ সকলো কথাকেই প্ৰকাশ কৰিলোঁ।; আপুনি যেনে ভাল দেখে তাকেই কৰক।"

সন্ন্যাসী:—"মহাৰাজ, আপোনাৰ আকৌ এইটো নতুন বেমাৰ হল হয়। ই আগৰটোত কৈও ডাঙৰ বেমাৰ। এনে বেমাৰে এখন সমাজ বা দেশ ধ্বংস কৰিব পাৰে—কিন্তু

মহাৰাজ, আপোনাৰ আগত খোলাকৈ কওঁ একো বেয়া নাপাব। আজিৰ পৰা ঠিক এমাহৰ পাচত আপোনাৰ মৃত্যু হব। এই মৃত্যুৰ হাত আপুনি কোনো মতেই এৰাব নোৱাৰিব। এইদৰে কৈ সন্ন্যাসী সেই দিনাৰ কাৰণে গুচি গল।

মৰণৰ কথা কোৱাৰ পাচতো সন্ন্যাসীয়ে আগৰ দৰেই ৰজাক ঔষধ খুৱাবলৈ ধৰিলে। সাত দিন মানৰ পাচত সন্ন্যাসীয়ে ৰজাক সুধিলে—"মহাৰাজ, এতিয়া বেমাৰ কেনে পাইছে ?"

ৰজাই কলে—"তিনি সপ্তাহৰ পাচত মোৰ মৰণ হবই; এতিয়ানো ভাল বা বেয়া হলে কি লাভ ? মোৰ মৰণ সোৱা নওলা-মুখ পাইছেহিয়েই। এইবাৰ পৰিত্ৰাণ নাই!"

মৃত্যু চিন্তাৰ পৰাই ৰজাৰ মনৰ ভাৱ পৰিবৰ্ত্তন হল। তেওঁৰ ভোক-পিয়াহ আৰু টোপনি নাইকিয়া হ'ল। তেওঁ অবিৰাম নিজৰ মৰণৰ কথাহে ভাবিবলৈ ধৰিলে। ইয়াৰ ভিতৰতে সন্ন্যাসীয়ে ৰজাক কিছুমান মহাপুৰুষৰ জীৱনী পাঠ কৰি শুনালে। কাৰণ, তেনে জীৱনীয়ে অজ্ঞানক জ্ঞান দিয়ে, বাট হেৰুৱা মানুহৰ বাটৰ সাৰথি হয়।

মৃত্যু-চিন্তা কৰি ৰজাই এমাহ কাল কটালে। কিন্তু তেওঁৰ মৃত্যু নহল। মাহেকৰ মূৰত ৰজাৰ মৃত্যু হব বুলি কোৱাটো সন্ন্যাসীৰ এটা কৌশল মাত্ৰ; নাইবা ই ৰজাৰ মনৰ বেমাৰ গুচোৱা এবিধ মহৌষধ।

ৰজাৰ শৰীৰৰ কান্তি দিনক দিনে চৰি আহিল, মন সৎ হল। মনৰ পৰা পাপ-তাপ আৰু দুশ্চিন্তা আঁতৰিল—

ৰজাই নতুন সৎ-পথৰ সন্ধান পালে। সন্ন্যাসীৰ কৃপাতেই মতি লাল সিংহই ৰামৰ দৰে প্ৰজা পালন কৰিবলৈ ধৰিলে।

ৰজাই সন্ন্যাসীৰ কামত সন্তুষ্ট হৈ অনেক ধন খৰচ কৰি আশ্ৰমৰ ওচৰত উচ্চ ধৰণৰ এটি বিদ্যালয় তৈয়াৰ কৰি দিলে। তাৰ নাম হল— "প্ৰফুল্ল বিদ্যা-ভৱন"। সেই বিদ্যা-ভৱনত সকলো শ্ৰেণীৰ মানুহৰ লৰাই পঢ়া-শুনা কৰি জ্ঞান লাভ কৰে। ইতি—

গোলাঘাট, ৬।১০।৩৯

# ইয়াত কৈ সি চৰা।

ই ডিব্ৰুগড়ৰ ওচৰৰ 'আই-থানৰ' ওচৰৰ কথা। কথাষাৰ তেনেই সত্য।

আই-থানৰ পৰা ব্ৰহ্মপুত্ৰলৈ বেচি দূৰ নহয়। তাত অনেক বহল বহল বালি চাপৰি আছে। বগা বহল বালি চাপৰিত ৰাতি জোনৰ পোহৰপৰা মনোৰম দৃশ্যটো বাস্তৱতে চাব লগীয়া। নিৰল নিজান পাই, সেই চাপৰি বোৰত অনেক কাছ চৰি ফুৰে। পৃথিবীৰ সক ডাঙৰ-সকলো প্ৰাণীয়েই স্বাধীনতা ভাল পায়; ব্ৰহ্মপুত্ৰৰ এই চাপৰিবোৰত কাছবিলাকে সেই স্বাধীনতা হৰিষ মনেৰে সম্ভোগ কৰে।

এদিন এটা শিয়ালে চল চাই চাই এটা কাছক চলঙত ঠাপ মাৰি ধৰিলে। শিয়ালৰ হাতত পৰা দেখি কাছটোৱে হাত ভৰি মুখ চলঙৰ ভিতৰত সুমুৱাই ললে; তেনে কৰাত সি দেখাত কিবা যেন হৈ পৰিল। তাকে দেখি শিয়ালে কলে—

"তিলিং তালাং সদাশিৱ।
হাত নাই ভৰি নাই মুখ নাই,
—কেনে জীৱ!"

শিয়ালৰ কথা শুনি কাছই কলে—

"চকু থাকোঁতে নহবা কণা,
খাবৰ মন আছে যদি তিয়াই আনা।

কাছৰ কথা শুনি তিয়ালে কোমল হব বুলি ভাবি শিয়ালে তাক নি পানীত ধুবলৈ ধৰিলে। কাছই পানী পাই দিলে লৰ। তাক আক ক'ত পায়?

জন্তুৰ ভিতৰত শিয়াল ধূৰ্ত্ত,—কাছই এই বাক্য অৰ্থ হীন কৰিলে। ইতি—

গোলাঘাট ২।১০।৩৯ ইং

# ভাগ্য ।

এক আছিল ৰজা। তেওঁৰ মাত্র জীয়েক এজনী, আন কোনো নাই। জীয়েকৰ নাম সুৰভি।

জীয়েকৰ যেতিয়া বিয়াৰ সময় হল, তেতিয়া ৰজাই এটি পণ কৰিলে যে,—“যোনে মই নুশুনা কথা এটা শুনাব পাৰিব, তেওঁকে মোৰ ছোৱালী জনী বিয়া দিম। কিন্তু মই শুনা কথা শুনালে হলে তেওঁক বন্দী কৰি ৰখা হব। কেতিয়াও ইয়াৰ অন্যথা নহব ;”

ৰাজ-কন্যা সকলোকে লাগে; কিন্তু ৰজাৰ ঘোষণাৰ কথা শুনি কোনেও সাহ কৰি আগ নাবাঢ়ে।

দুজন ডেকাই মৰ-সাহ দি ৰজাৰ ওচৰলৈ আহি গল্প কলে হয়, কিন্তু সি ৰজাই শুনা গল্প। তেনে হোৱা বাবে দুয়োকে বন্দী কৰি থলে।

এক আছিল দুখীয়া বিধবাৰ লৰা। তাৰ গাত এখন ফুটা কঁথা আৰু এখন পিন্ধা গামোচা মাত্র। দুয়োখন কাপোৰেই মলিয়ন। কোনো দিনেই তাৰ মূৰে তেল আৰু কণি দেখা নাই। সি কেতিয়া ক'ত থাকে ক'ত খায় একো ঠিক নাই— য'তে ৰাতি ত'তে কাতি। এনে ভাত-কাপোৰৰ দুখত সি মনতে ভাবিলে যে, “মোতকৈ ৰাজ-বন্দী বিলাকো সুখী। ৰজাই নিশ্চয় সিহঁতক দুবেলা দুমুঠি ভাত আৰু পিন্ধা কাপোৰ

দিয়ে। মইয়ো বাজ-কন্যাক বিয়া কৰাবৰ চলেৰে কিবা এটা কথা কৈ ভাত গৈ বন্দী হৈ থকাহে ভাল। ভাত-কাপোৰৰ নিকাৰনো আৰু কিমান সহিম”।

এইদৰে নানা কথা ভাবি সি ৰাজ পুৰী বুলি যাত্ৰা কৰিলে। হাতত তাৰ লাখুটি ডাল আৰু গাত পুৰণি ফটা কঁথা খন।

খোৰাৰ ঠেং খালতহে পৰাৰ দৰে বাটত তাৰ শৌচ কৰা লাগিল। হাগা চাৰ নে বাঘা চাৰ! সি লাখুটি ডাল মাটিত পুতি তাতে কঁথাখন থৈ বাটৰপৰা অলপ আঁতৰত শৌচ কৰিবলৈ বহিল। ই-পিনে এটা শিয়ালে কিবা খোৱা বস্তু বুলি ভাবি কঁথাখন কামুৰি টানি টানি নিব ধৰিলে। তাকে দেখি সি লৰা লৰিকৈ উঠি আহি লাখুটিডাল হাতত লৈ পিচে পিচে দিলে খেদা। খেদোঁতে খেদোঁতে তাৰ ভৰিৰ ওচৰৰ পৰা বতা চৰাই দুই তিনিটা মানে ভুকং কৰি উৰা মাৰি যোৱা দেখি চৰাইলৈ লাখুটিডাল দলি মাৰি দিলে। ইপিনে লাখুটি বিচাৰোঁতেই শিয়ালে কঁথাখন লৈ গৈ কোনোবা দেশ পালে গৈ।

কঁথা আৰু লাখুটিয়েই তাৰ সম্বল। সিও হেৰাল। মনৰ দুখত সি উদি মুদি হৈয়েই খোজ ললে। তাৰ মাথোঁ এডিমা লাগে ভাত কাপোৰ।

বাটত তাৰ যিটো ঘটনা ঘটিল তাকে সি নতুন কথা বুলি ভাবি ৰজাৰ আগত কবলৈ ঠিক কৰিলে।

সি গৈ ৰজাৰ ওচৰত থিয় হল। ৰজাই তাৰ গতি মতি দেখি তাক কি লাগে সুধিলে।

সি হাত যোৰ কৰি কলে— "মহাৰাজ, মই বৰ দুখীয়া আইত বাহিৰে মোৰ আৰু কোনো নাই। মহাৰাজৰ ঘোষণা কথা শুনিয়েই মই ইয়ালৈ আহিছোঁ। এতিয়া গল্প কৰা হুকুমহে লাগে।"

ৰজাই কলে — "যেয়ে মই নুশুনা গল্প কব পাৰি তেওঁতেই মোৰ ছোৱালী বিয়া দিয়া হব। ইয়াত কোনো জা বা ধনী দুখীৰ বিচাৰ নাই। কিন্তু কব নোৱাৰিলে ইয়াত বা হৈ থাকিব লাগিব।"

ৰজাৰ আদেশ পাই সি সুৰ ধৰি এইদৰে কলে—
"সিয়া নিলে শিয়েলী, লকক নিলে বাঘে,
মহাৰাজ সোধ সুধিছে খাটে কি নাখাটে?
খাটে যদি একৰ লগত দুই,
নাখাটে যদি দুইৰ লগত তিনি।"

ৰজাই এই কথা শুনি কোনো দিনেই নুশুনা কলে আৰু তাৰ আচল অৰ্থ কি সুধিলে।

সি কলে — "মোৰ এখন মাত্ৰ কঁথা; সেয়ে কাপোৰেৰে সিয়া। তাকে সিয়া বুলিছোঁ। মোৰ এই বাটত শিয়াল এটাই টানি লৈ গল। তাৰ পিচত বন্ডা এটালৈ দলি মাৰোঁতে হাতৰ লক ভাল হেৰাল। এতিয়া মোৰ এইটো মহাৰাজে আগেয়ে নুশুনা কথা হয়,

একৰ লগত দুই অৰ্থাৎ আপোনাৰ কন্যাৰ লগত মই দুই হব লাগিব। যদিহে মই আপুনি শুনা কথাকেই কলোঁ, তেন্তে দুইৰ লগত তিনি হব লাগিব। অৰ্থাৎ আপোনাৰ বন্দী শালত আগৰ দুজন বন্দী আছেই, এতিয়া মই সিহঁতৰ লগত মিলি তিনিজন হব লাগিব। এই ধৰ্ম্ম বিচাৰৰ ভাৰ এক মাত্ৰ মহাৰাজৰ ওপৰতহে। মোৰ আৰু কবলৈ নাই।"

এইদৰে কৈ সি পুনৰ ৰজালৈ সেৱা জনালে।

বিধবাৰ পুত্ৰেকৰ কথাত ৰজাই সন্তোষ পাই শুভ - দিনত তেওঁৰ জীয়েকক ঘোষণা কৰা মতেই বিয়া দিলে। ইয়াকে বোলে ভাগ্য। ইতি —

( ১১।৫।৪৬ তাৰিখে সকপেটা শিক্ষক কেন্দ্ৰ-সম্ভাত কোৱা সাধু কথা )

শ্ৰীহৰিশ্চন্দ্ৰ দেৱ চৌধুৰী।
হেড্ পণ্ডিত, ভালাগুৰি
প্ৰাইমাৰী স্কুল।

# সন্ধিৰ ভোজ।

আজি প্ৰায় দুকুৰিমান বছৰৰ আগতে ৰৰপেটা মহকুমাৰ অন্তৰ্গত ৰৰবিলা গাৱঁত এটা ভোজ হৈছিল। সেই অথ ব্ৰাহ্মণ সৰ্জ্জন সকলৰ আগৰ মেল-খেল আৰু দলা-দলিৰ ভাভি একতাবদ্ধ হোৱাই এই ভোজৰ মুখ্য উদ্দেশ্য আছিল।

ভোজত পায়স, রুটি, ডালি আৰু লাব্‌বা খোৱাৰ বন্দবস্ত হৈছিল। কিন্তু ৰান্ধনি সম্পৰ্কে গণ্ডগোল হল। অৱশেষত ৺ ৰাণেশ্বৰ অধ্যাপকৰ ৬০ বছৰীয়া মাকে ভোজ ৰান্ধিলেই সকলোৱে খাবলৈ সম্মত হল।

ভাল দিন বাৰ চাই ভোজৰ দিন ধাৰ্য্য কৰা হল। যথা সময়ত সকলো উপকৰণ আদি আনি অধ্যাপকৰ ঘৰত ভোজৰ আয়োজন কৰা হল।

৺ ৰাণেশ্বৰ অধ্যাপকৰ বুঢ়া মোমায়েক এজন আছিল। তেওঁ বৰ লুভীয়া। তেওঁ এসেৰ চাউলৰ ভাত এক সাজতে খাই হজম কৰিব পৰা বুঢ়া আছিল। ভোজৰ খবৰ পাই তেওঁ তিনি দিন আগতে আহি দিহা পৰা দিয়াত লাগিল। ভোজৰ আগদিনা দুয়ো ককায়েক ভনীয়েকে একেঘোনে থাকি পিচদিনা পুৱাতে গা-পা ধুই উঠি ৰন্ধা-বঢ়া আৰম্ভ কৰিবলৈ ধৰিলে। ভনীয়েক আই ৰান্ধনী আৰু ককায়েক গুৰিত যোগাৰ দিয়া হল।

জয় জয়তে পায়স ৰান্ধিবলৈ ধৰিলে। পায়সত চেনি দিবৰ হোৱাত বুঢ়ীয়েই ভুল কৰিয়েই হওঁক বা চকুৱে মনিব নোৱাৰিয়েই হওঁক চেনি নিদি ওচৰতে থকা লোণ দি বুঢ়াক সুধিলে — "চোৱা কাকা, চেনি হবনে নহয়।" বুঢ়াই পায়সৰ বাচনৰ ফালে চাই কলে — "আকৌ দিয়া, আকৌ দিয়া; গৰুৰ গাখীৰ বেচি চেনি দিলেহে খাবলৈ মিঠা হব।" বুঢ়াৰ কথা শুনি বুঢ়ীয়ে আকৌ দুই আজলি মান লোণহে দিলে।

তাৰ পাচত কেইজনমান ডেকা লৰাই কটিৰ কাৰণে ময়দা

মাৰিবলৈ ধৰিলে। ময়দা মৰাত অলপ পনীয়া হল। সেই পানী গুচাবৰ কাৰণে আকৌ ময়দা লগা হোৱাত এটা ৯ বছৰীয়া লৰাই মাকে অনাই থোৱা আধা সেৰ চোদা খাৰকে ময়দা বুলি ভাবি আনি দিলে। ডেকা কেইজনে ভালকৈ নোচোৱাকৈয়েই ময়দাৰ লগত চোদা খাৰ সানি লৈ আকৌ ময়দা মাৰিবলৈ ধৰিলে। ময়দা মৰাত বৰ ভাল নহল। আকৌ অলপ পনীয়া অৱস্থাতে হল। তেতিয়া আন উপায় নাপাই অলপ বৰত শুকাই কটি ঘিউত পুৰিব ধৰিলে। কটি পুৰোঁতাই আচল কথা ধাৰব নোৱাৰি ঘিউ বেয়া বুলি দোকানীক আৰু ঘিউ কিনি আনোঁতাক না না ৰকম গালি শপনি পাৰিব ধৰিলে। না না আহুকালৰ মাজে-দি কটি পোৰা শেষ হল। তাৰ পাচত ডালিত লোণ দিবৰ হোৱাত বুঢ়ীয়ে বিপৰীত বাচনটোৰ পৰা চেনিকে লোণ বুলি ভাবি চেনি দিলে। এই দৰে ভোজ বন্ধাৰ সকলো কাম শেষ হল। খাবৰ কাৰণে সকলোৱে নতুন আৰু বগা-হালধীয়া আদি কাপোৰ পিন্ধি সন্ধ্যা— গায়ত্ৰী আৰু গুৰু সেৱা কৰি সাজু হল।

অধ্যাপকৰ মোমায়েক সকলোতেকৈ বয়সীয়া, তাতে তেওঁ আগ দিনা উপবাসে আছে। সেই কাৰণে প্ৰথমতে তেওঁেই পায়স খাবলৈ বহিল। বুঢ়াই প্ৰথমতে পায়সত মুখ দিয়েই "ৰব চখা ঐ ৰব চখা ঐ" বুলি কটিত কামোৰ দিলে। কটিতো "ৰব চখা ঐ" বুলি চিঞৰি চিঞৰি গৈ বিচনাত পৰিল। বুঢ়াৰ মুখ, জিভা নাকি ফুলি উঠিল। বুঢ়াৰ বিলাই দেখি সকলোৱে হাঁহিবলৈ ধৰিলে। কিছুমানে কলে— "বাকস বুঢ়া, কেতিয়াবা

পায়সোনো চখা হয় নে ? ”

তাৰ পাচত সকলোৱে হৰিধ্বনি দি বং মনেৰে খাবলৈ বহিল।

কথাতে কয়, যাকে নিন্দে তাকে বন্দে। এই কথাষাৰ কাজত পৰিণত হল। খাবলৈ ধৰাৰ লগে লগেই সকলোৱে বুঢ়াৰ কথা সঁচা বুলি কবলৈ ধৰিলে। নানা ৰকম হাঁহি তামচা আৰু দুখ দুৰ্গতিৰ মাজেদি আধাপেটে উঠি সকলোৱে এই দুৰ্ঘটনাৰ আচল কাৰণ অনুসন্ধান কৰিবলৈ ধৰিলে।

বুঢ়ীয়ে চেনি আৰু লোণ ওচৰা ওচৰিকৈ থকা বাবে চিনিব নোৱাৰি পায়সত লোণ আৰু ডালিত চেনি দিয়াটো ধৰা পৰিল। কিন্তু কটি চোকা হোৱাৰ কাৰণ কি ধৰিব নোৱাৰিলে।

অৱশেষত ঘিউ বেয়া বুলি দোকানীক তাৰ দাম নিদিয়াকে থিৰাং কৰিলে। সাত দিন মানৰ পাচত যেতিয়া বুঢ়াৰ বোৱাৰীয়েকে কাপোৰ ধুবৰ কাৰণে চোদা থাৰ বিচাৰ কৰে, তেতিয়া সেই লৰাটোৱে মাকক কলে—ও সেই খিনি চোদা হে আছিল নে ? মই ময়দা বুলি ভাবি সিদিনা ভোজৰ ময়দাৰ লগত মাৰিবলৈ দি দিলোঁ। মই কবই নোৱাৰিলোঁ।

এইদৰে সকলো ভুল ধৰা পৰিল। যদিও খোৱাত সুবিধা নহল, তথাপি ভোজৰ উদ্দেশ্যটো সফল হল আৰু ভৱিষ্যতৰ কাৰণে সকলোৱে সাৱধান হল। তেতিয়াৰে পৰা আৰু সেই গাৱঁত দলা দলি হোৱা নাই। ইতি—

শ্ৰীচাৰু কৃষ্ণ দেৱ মিশ্ৰ
শিক্ষক—প্লাট বাউসী প্ৰাইমাৰী স্কুল

# পৰিশিষ্ট

## প্ৰাৰ্থনা

(স্কুল বহাৰ আগতে সকলোৰে সুৰ ধৰি সমস্বৰে গাব।)

তুমি চিত্ত বৃত্তি মোৰ প্ৰবৰ্ত্তক নাৰায়ণ
তুমি নাথ মই নাথৱন্ত।
চৰণ ছত্ৰৰ ছায়া দিয়া দূৰ কৰা মায়া
কৰা দয়া মোক ভগৱন্ত ॥
ধৰ্ম্মক জানোহো মই তথাপি প্ৰবৃত্তি নাই
অধৰ্ম্মত নিবৃত্তি নোহয়।
হৃদি স্থিত হয়া তুমি যেন কৰাবাহা স্বামী
হৃষীকেশ কৰিবো তেনয় ॥
নজানোহো আৱাহন নজানোহো বিসৰ্জ্জন
পূজা মন্ত্ৰ নজানো কিঞ্চিত।
এতেকে পৰমেশ্বৰ দাস ভৈলো চৰণৰ
মোৰ গতি সাধিবে উচিত ॥
—নাম ঘোষা।

## বৰগীত—ভাটিয়ালী

শিশু ভাই ভজিয়ো হৰি চৰণ।
ব্ৰহ্মা আদি কৰি পিম্পৰা পৰ্য্যন্ত
সবাৰো আছে মৰণ ॥ ধ্ৰুং ॥

বৃদ্ধৰ যুবাৰ কবিত্ব শুনিয়া
বালকে আনন্দ কৰে।
দেখি নেদেখস বুঢ়াক হাসস
উপজিয়া কত মৰে ॥
কাল চোৰ আগে বৃদ্ধ যুবা শিশু
নাহিক জানা নিশ্চয় ।
মাধৱ দেৱৰ সেৱক দৈত্যাৰি
অতি শিশু মতি কয় ॥ ১৯৭ ॥

(দৈত্যাৰি ঠাকুৰ মাধৱ দেৱৰ ভাগিন ৰাম চৰণ ঠাকুৰৰ পুত্ৰ। দৈত্যাৰি ঠাকুৰ পণ্ডিতলোক আছিল। বামুনা সত্ৰ তেখেতেই স্থাপন কৰে। তেখেতৰ ৰচিত "গুৰু—চৰিত" খন মূল্যবান পুথি)

গীত

( বৰগীতৰ সুৰত গাব লাগে )

এ ভাইৰে, ভাৰত-ৰৱিৰে নৱ জাগৰণ
আনিলে অৰ্দ্ধ উলঙ্গে,
বিস্মিত নয়নে চাহে ঊৰ্দ্ধ পানে
গৰ্বিত নৱ মাতঙ্গে ।
এ ভাইৰে, সত্য অস্ত্ৰ ধৰি জিনে যত অৰি
মোহিত কৰে ভ্ৰূ ভঙ্গে,
হাতে ধ্বজা ধৰি ভগৱন্ত স্মৰি
দীন বন্ধু চলে ৰঙ্গে ।

এ ভাইৰে, দুগ্ধ পান        কৰে দিনে ৰাতি ঘূৰে
ক্লান্তি      নাজানে      কৃশাঙ্গে,
কত বীৰ্য্য ধৰে কত কাৰ্য্য কৰে
অস্থি চৰ্ম্ম- সাৰ অঙ্গে ।
এ ভাইৰে, কি যে শক্তি গুণে বান্ধি সৰ্ব্ব জনে
লই যায় ( গান্ধী ) সঙ্গে সঙ্গে,
সেই শক্তি - প্ৰাণে কত শত জনে
নাপালে হিমাদ্ৰি শৃঙ্গে ।
ৰচকঃ— শ্ৰীযুত বনমালী ভট্টাচাৰ্য্য
বি, টি ।

অৰি — শত্ৰু, বৈৰী ।    ধ্বজা — পতাকা, নিচান ।
ক্লান্তি — ভাগৰ ।    কৃশাঙ্গ — খীনোৱা দেহা ।
হিমাদ্ৰি — হিমালয় পৰ্ব্বত ।

## তুতি-নাম

( বালিকাৰ কাৰণে,— দীঘল সুৰত গাব ) ।
আই মোৰ দিন দুপৰতে ।
„ „ আহিছে অতিথি ।
„ „ নৰ ৰূপী নাৰায়ণ ॥
„ „ দিয়া অন্ন দান ।
„ „ শুদ্ধ কৰি মন ।
„ „ তুষ্ট হব ভগবান ॥

আইমোৰ কথাৰে শুৱনা ।
" " লখিমী বোৱাৰী ।
" " পৃথিৱীৰ শুৱনা জ্ঞান ॥
" " গুৰুৰে শুৱনী ।
" " জনক জননী ।
" " সমাজৰ শুৱনী নাম ॥

গোলাঘাট
২৮।৭।৪১

## অভিযান-গীত ।

আহা দেশব্যাপী অজ্ঞানতা নাশী
লোৱা আজি শিক্ষা মন্ত্র দান ।
শিক্ষাৰ অভাৱে ভাই দীনা-হীনা অসম আই
আমি মাৰ নকৰোঁ যে ত্ৰাণ ॥
'বুঢ়া-শালিকা মই' —এটো এনে ভাব নাই
তুমিওতো মানৱ সন্তান,
তুমিওতো জ্ঞানৰ সন্তান ।
এই কুৰি শতিকাত সকলোৱে বাঢ়িল আগ
শিক্ষাতেহে দেশৰ কল্যাণ,
কৰা সাৰ্থক এই অভিযান ॥

গোলাঘাট
৪।৯।৪১

# সদিয়াৰ সাঁথৰ ।

( কিছুমান ছাত্ৰে সমস্বৰে সুৰধৰি নাচি-বাগি গাব )

১ সদিয়ালৈ নেযাবা শৰ পছু নেখাবা,
কেঁচা পাতত নেবান্ধিবা লোণ ।
উপজিয়েই বঙা হয় কোন ?—বেলি বা তেজ

২। সদিয়ালৈ নেযাবা শৰ পছু নেখাবা,
কেঁচা পাতত নেবান্ধিবা লোণ ।
উপজিয়েই বগা হয় কোন ? গাখীৰ

৩। সদিয়ালৈ নেযাবা শৰ পছু নেখাবা,
কেঁচা পাতত নেবান্ধিবা লোণ ।—কাঠফুল
উপজিয়েই টুপী পিন্ধে কোন ? বা বেংছাটা

৪। সদিয়ালৈ নেযাবা শৰ পছু নেখাবা,
কেঁচা পাতত নেবান্ধিবা লোণ ।
উপজিয়েই লৰ মাৰে কোন ?—জেঠী

৬। সদিয়ালৈ নেযাবা, শৰ পছু নেখাবা,
কেঁচা পাতত নেবান্ধিবা লোণ,
উপজিয়ে বুঢ়া হব কোন ?—বুঢ়া আঙুলি

৭। সদিয়ালৈ নেযাবা, শৰ পছু নেখাবা,
কেঁচা পাতত নেবান্ধিবা লোণ,
কাণেদি বাট বুলে কোন ?—কাৰৈমাছ

৮ সঁদিয়ালৈ নেযাবা, শৰ পহু নেখাবা,
কেঁচা পাতত নেবান্ধিবা লোণ,
জিভাইদি বাট বুলে কোন? শামুক
(এনে সাঁথৰ আৰু আছে। সংগ্ৰহ কৰি পোৱা ভাল)

---

# টোকা

(ইয়াত দিয়া কথা কেইফাঁকি কি কি কিতাপত আছে? সবিশেষ শিকি লোৱা; লিখকৰ বিষয়েও শিকা।)

১। শ্ৰম কু-চিন্তাৰ পৰম ঔষধ।

২। "হে প্ৰজাসকল! মই বিষয়া হৈ থকাত মোৰ পৰা অশেষ দুখ পাইছিলা। সেইবোৰ এনে সময়ত ক্ষমা দিব লাগে"

৩। নহৰা গৰুৰ দৰে, খুচিলেহে খোজ ধৰে
ৰণত বীৰেন্দ্ৰ বুলি হেৰা খ্যাতিমান

৪। "জন্ম হলে মৃত্যু অনিবাৰ্য্য। মোৰ আনন্দ ভগবানে মোক বাছি লৈছে। ভগবানে মোক ভাল পায়।"

৫। নন্দ গৈল বাথানে গোৱাল গৈল পাল।
সুৰভি চাৰিতে লাগে উঠৰে গোপাল ॥

৬। জাগতিক নীতিৰ জেওৰাৰে স্বাধীনতা পৰিবেষ্টিত। মানুহে এই জেওৰা পাৰ হলেই স্বেচ্ছাচাৰিতাৰ ক্ষেত্ৰত নামে।

৭। যদি বয়সীয়াৰ শিক্ষাৰ ভাৰ মোৰ হাতত থাকিলহেঁতেন তেনেহলে মই বয়সীয়াল শিক্ষাৰ্থীৰ মনত নিজৰ দেশ

মহত্ব আৰু বিশালতাৰ ভাৱ জাগ্ৰত কৰা কামেৰে আৰম্ভ কৰিলোহেঁতেন ।

৮। কয় বোলে কৰা হৰি কৰুণা ইবাৰ।
খয় বোলে খন্দিয়ো পৃথিবীৰ মহাভাৰ॥
গয় বোলে গোপাল চলিয়ো গোপপুৰ।
ঘয় বোলে ঘনক্ষীৰ ভুঞ্জিতে প্ৰচুৰ।

৯। "সখি ! ভালুকে তোমাৰ কাণত মুখ দিয়া দেখিছিলো, সি নো কাণে কাণে তোমাক কি কথা কলে ?"

১০। গুণ গুণ গুণ গুণ ।
লাঠি ডালৰ নটি- আছে গুণ ।।

১১। বিদ্যালয়ে বিদ্যালাভ বিদ্যাত বিনয় ।
বিনয়ে বিভৱ দিয়ে বিভৱে বিষয় ॥
বিষয়ে বিক্ৰম দিয়ে বিক্ৰমে বিজয় ।
বিজয়ত বহু সুখ যশ বিশ্বময় ॥

১২ মহণ্ডত পায় লোণ ।
তাৰ্লৈ নো যায় কোন ?

১৩। যি ধৰ্ম্ম বা ঈশ্বৰে বিধবাৰ অশ্ৰু মোচন কৰিব নোৱাৰে, পিতৃ মাতৃ হীন অনাথৰ মুখত টোপ এটি দাণ্ডিদিব নোৱাৰে, তেনে ধৰ্ম্ম বা ঈশ্বৰত মোৰ বিশ্বাস নাই ।

[illegible]—

১৪।　আশ্ৰমত, হস্তে　লৈয়া সঙ্গীগণ

যাবা সমুদ্ৰৰ পাৰ।

লৱণ আইন　লঙ্ঘিবা সি থানে

নীতি ধৰি অহিংসাৰ ॥

১৫।　মোনা ভাৰী [illegible] জনে নয় পেট পোহা [illegible] নাম [illegible]

মহাত্মা জনেছে কৰে জগতৰ কাম ॥

—অন্ত—